रजिस्ट्री सं डी 221

Registered No. D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

भारत का राजपत्र

# THE GAZETTE OF INDIA

ভাৰতৰ ৰাজপত্ৰ

असाधारण
EXTRA ORDINARY
অসাধাৰণ

भाग VI - अनुभाग 1
PART VI - Section 1
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

No. 20 ] NEW DELHI, TUESDAY, NOVEMBER 5, 2019 / 14 KARTIKA, 1941 (Saka) [ VOL : 16
নং ২০ ] নতুন দিল্লী, মঙ্গলবাৰ, নৱেম্বৰ ৫, ২০১৯ / ১৪ কাতি, ১৯৪১ (শক) [খণ্ড ঃ ১৬

Separate paging is given to this part in order that it may be filed as a separate compilation

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## (বিধান বিভাগ)

পশুৰ সংক্ৰামক আৰু সাংসৰ্গিক ৰোগৰ নিবাৰণ আৰু নিয়ন্ত্ৰণ অধিনিয়ম, ২০০৯ (২০০৯ ৰ ২৭)

২০ মাৰ্চ, ২০০৯ তাৰিখে যথাবিদ্যমান

# পশুৰ সংক্ৰামক আৰু সাংসৰ্গিক ৰোগৰ নিবাৰণ আৰু নিয়ন্ত্ৰণ অধিনিয়ম, ২০০৯

(২০০৯ৰ সংখ্যা ২৭)

(ধাৰা সমূহৰ বিন্যাস)

## অধ্যায় - ১
## প্ৰাৰম্ভিক


| ধাৰা - | | পৃষ্ঠা |
|---|---|---|
| ১। | সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ। | ২ |
| ২। | পৰিভাষা। | ২ |


## অধ্যায় - ২
## অনুসূচিত ৰোগৰ নিয়ন্ত্ৰণ


| | | |
|---|---|---|
| ৩। | পশু চিকিৎসা পদাধিকাৰীৰ নিযুক্তি। | ৩ |
| ৪। | অনুসূচিত ৰোগৰ জাননী দিয়াটো বাধ্যতামূলক। | ৩ |
| ৫। | সংক্ৰমিত পশুক পৃথক কৰাৰ কৰ্ত্তব্য। | ৪ |
| ৬। | নিয়ন্ত্ৰিত এলেকা আৰু মুক্ত এলেকাৰ অধিসূচনা। | ৪ |
| ৭। | নিয়ন্ত্ৰিত এলেকাত পশুৰ চলাচলত নিষেধকৰণ। | ৫ |
| ৮। | টীকাকৰণ, চিহ্নিতকৰণ আৰু টীকাকৰণ প্ৰমাণ পত্ৰৰ জাৰি। | ৫ |
| ৯। | টীকাকৰণ প্ৰমাণ-পত্ৰৰ বিষয়বস্তু। | ৬ |
| ১০। | নিয়ন্ত্ৰিত এলেকা আৰু মুক্ত এলেকাত প্ৰবেশ আৰু প্ৰস্থান। | ৬ |
| ১১। | নিয়ন্ত্ৰিত এলেকাৰ সম্পৰ্কে সতৰ্কতামূলক ব্যৱস্থা। | ৬ |
| ১২। | নিয়ন্ত্ৰিত এলেকাত বজাৰ, মেলা, প্ৰদৰ্শনী ইত্যাদিৰ নিষেধ। | ৭ |
| ১৩। | সংক্ৰামিত পশুক বজাৰ বা আন স্থানলৈ অনাত নিষেধ। | ৭ |
| ১৪। | পৰীক্ষণ চকী আৰু নিৰোধ শিবিৰ। | ৭ |
| ১৫। | পৰীক্ষণ চকী আৰু নিৰোধ শিবিৰত পশুৰ পৰিদৰ্শন আৰু নিৰোধকৰণ। | ৭ |
| ১৬। | নিয়ন্ত্ৰিত আৰু মুক্ত এলেকালৈ টীকাকৰণ কৰা পশুৰ প্ৰবেশ আৰু প্ৰস্থান। | ৮ |
| ১৭। | সক্ষম প্ৰাধিকাৰীৰ নিযুক্তি। | ৮ |
| ১৮। | বাহনৰ পৰিস্কাৰকৰণ আৰু বীজাণুনাশন। | ৮ |

পৃষ্ঠা

১৯। প্ৰবেশ আৰু পৰিদৰ্শনৰ ক্ষমতা। ৮

## অধ্যায় - ৩
## সংক্ৰমিত এলেকা

২০। সংক্ৰমিত এলেকাৰ ঘোষণা। ৮

২১। সংক্ৰমিত এলেকাৰ ঘোষণাৰ প্ৰভাৱ। ৯

২২। সংক্ৰমিত এলেকাৰ অধিসূচনা। ৯

## অধ্যায় - ৪
## সংক্ৰমিত পশু

২৩। সংক্ৰমিত পশুৰ পৃথককৰণ, পৰীক্ষণ আৰু চিকিৎসা কৰা। ৯

২৪। পশুৰ পৰা নমুনা অনা। ১০

২৫। সংক্ৰমিত পশুক মৃত্যুদান দিয়া। ১০

২৬। মৃতদেহৰ ব্যৱস্থা কৰা। ১০

২৭। পশুচিকিৎসা পদাধিকাৰী আৰু পশু চিকিৎসকৰ মৰণোত্তৰ পৰীক্ষা কৰাৰ ক্ষমতা। ১০

২৮। কেতবোৰ পশুৰ অভিগ্ৰহণ আৰু দূৰীকৰণ। ১১

## অধ্যায় - ৫
## বলবৎকৰণ আৰু দণ্ড

২৯। আদেশৰ বলবৎকৰণ আৰু খৰচৰ পুনৰুদ্ধাৰ। ১১

৩০। গ্ৰাম পদাধিকাৰী, ইত্যাদিয়ে সহায়তা কৰিব। ১১

৩১। প্ৰাধিকাৰ বিনা টীকাকৰণ প্ৰমাণ পত্ৰ জাৰি কৰা বা ত্ৰুটীপূৰ্ণ টীকা প্ৰয়োগ কৰাৰ বাবে দণ্ড। ১২

৩২। দণ্ড। ১২

৩৩। নদী, ইত্যাদি সংক্ৰমিত পশু বা মৃতদেহ পেলোৱাৰ বাবে দণ্ড। ১২

৩৪। কোম্পানীৰ দ্বাৰা কৰা অপৰাধ। ১২

## অধ্যায় - ৬
## নিমিত্ত স্বৰূপে অঙ্গ, ইত্যাদিৰ ওপৰত সতৰ্কতামূলক ব্যৱস্থা

৩৫। নিমিত্ত স্বৰূপে অঙ্গৰ পৰা নিস্কৃতি লোৱাত নিবাৰণ। ১৩

## অধ্যায় - ৭

## বিবিধ


পৃষ্ঠা

| | | |
|---|---|---|
| ৩৬। | আৰোপ কৰাৰ ক্ষমতা। | ১৩ |
| ৩৭। | চৰকাৰী নিয়ন্ত্ৰণ সাপেক্ষে পদাধিকাৰী আৰু প্ৰাধিকাৰী কাৰ্য্য কৰিব। | ১৪ |
| ৩৮। | অনুসূচী সংশোধন কৰাৰ ক্ষমতা। | ১৪ |
| ৩৯। | নিৰ্দেশনা জাৰি কৰাৰ ক্ষমতা। | ১৪ |
| ৪০। | কেতবোৰ ব্যক্তি লোকসেৱক হ'ব। | ১৪ |
| ৪১। | জটিলতা দূৰীকৰণৰ ক্ষমতা। | ১৪ |
| ৪২। | কেন্দ্ৰীয় চৰকাৰৰ নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা। | ১৪ |
| ৪৩। | ৰাজ্য চৰকাৰৰ নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা। | ১৫ |
| ৪৪। | নিয়ম প্ৰণয়ন। | ১৫ |
| ৪৫। | নিৰসন আৰু ব্যবৃত্তি। | ১৫ |
| | অনুসূচী | |

# পশুৰ সংক্ৰামক আৰু সাংসৰ্গিক ৰোগৰ নিবাৰণ আৰু নিয়ন্ত্ৰণ অধিনিয়ম, ২০০৯

## (২০০৯ৰ সংখ্যা ২৭)

[২০ মাৰ্চ, ২০০৯ তাৰিখে যথাবিদ্যমান]

সংক্ৰামক আৰু সাংসৰ্গিক ৰোগে প্ৰভাৱিত কৰা পশুক নিবাৰণ নিয়ন্ত্ৰণ আৰু নিৰ্মূল কৰাৰ বাবে, এখন ৰাজ্যৰ পৰা আন এখনলৈ এনে ৰোগৰ প্ৰাৰ্দুভাৱ বা বিয়পোৱাৰ নিবাৰণৰ বাবে আৰু পশু বা পশু উৎপাদনৰ আমদানি আৰু ৰপ্তানি সুচল কৰাৰ বাবে ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় দায়িত্ব পূৰণ কৰিবলৈ আৰু ইয়াৰ সৈতে সম্পৰ্কিত বা ইয়াৰ আনুষঙ্গিক বিষয় সমূহৰ বাবে উপবন্ধ কৰিবলৈ এখনি অধিনিয়ম।

যিহেতুকে পশুৰ সংক্ৰামক আৰু সাংসৰ্গিক ৰোগৰ বাবে, জনসাধাৰণলৈ গম্ভীৰ ভাবুকি দিয়া এনে ৰোগ সমূহৰ কিছুমানৰ বাবে দেশত বৃহৎ অৰ্থনৈতিক ক্ষতি হৈছে;

আৰু যিহেতুকে এনে পশু ৰোগ বিলাকৰ বেচি ভাগেই টীকাকৰণ প্ৰক্ৰিয়াৰ ন্যায় সন্মত প্ৰয়োগৰ দ্বাৰা বা বৈজ্ঞানিক পদ্ধতিত সমূচিত আৰু যথা সময়ত লোৱা ব্যৱস্থাৰ দ্বাৰা বিস্তৃত ভাৱে নিবাৰণ কৰিব পৰা যায়;

আৰু যিহেতুকে এনে ব্যৱস্থা সমূহৰ, পশু আৰু পশু উৎপাদনৰ আমদানি আৰু ৰপ্তানি সুচল কৰিবলৈ আৰু আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ সৈতে সমন্বয় ৰাখিবলৈ, প্ৰয়োজন হয়;

আৰু যিহেতুকে ভাৰতবৰ্ষৰ পৰা পশুৰ সংক্ৰামক আৰু সাংসৰ্গিক ৰোগৰ নিবাৰণ নিয়ন্ত্ৰণ আৰু নিৰ্মূলকৰণ এটা ৰাষ্ট্ৰীয় ভিত্তিত সমাধান কৰিবলগীয়া বুলি অনুভৱ কৰা হয়, যাতে দেশৰ অৰ্থনীতিৰ ওপৰত এনে ৰোগ সমূহৰ প্ৰতিকুল প্ৰভাৱ বাৰণ কৰে আৰু ইয়াৰ প্ৰয়োজনাৰ্থে, নিয়ন্ত্ৰণ প্ৰক্ৰিয়াৰ সামঞ্জস্য ৰাখে আৰু পশুৰ আন্তঃৰাজ্যিক সংক্ৰামণ নিবাৰণ কৰে;

আৰু যিহেতুকে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ কাৰ্য্যপৰিচালনা, ৰাজ্য চৰকাৰৰ সক্ৰিয় লিপ্ততাত বিশেষকৈ কেতবোৰ সংক্ৰামক আৰু সাংসৰ্গিক ৰোগৰ আৰু যথা সময়ত সমূচিত প্ৰক্ৰিয়াৰ গ্ৰহণৰ দ্বাৰা সেইবোৰৰ নিজস্ব অঞ্চলৰ বাহিৰত পশুৰ চাল-চলনৰ বিনিয়মনৰ সম্বন্ধত তেওঁলোকৰ অধিকাৰিতাৰ ভিতৰত লবলৈ অপেক্ষিত হোৱা সতৰ্কতামূলক ব্যৱস্থাৰ সম্বন্ধত, কৰা হয়;

আৰু যিহেতুকে ভাৰতবৰ্ষ, ৰাষ্ট্ৰীয় কাৰ্য্যালয় ডেচ ইপিজোটিচ পেৰিচৰ সদস্য দেশ হয় আৰু উক্ত সংগঠনৰ সাধাৰণ দায়িত্ব, বিনিশ্চয় আৰু চুপাৰিচ প্ৰয়োগ কৰাটো আৰু উক্ত সংগঠনৰ দ্বাৰা নিৰ্দ্ধাৰিত কৰা আন্তঃৰাষ্ট্ৰীয় পশু স্বাস্থ্য সংহিতাৰ দ্বাৰা পালন কৰাটো ইয়াৰ আৱশ্যকীয় হয়;

ভাৰত গণৰাজ্যৰ ষষ্ঠদশতম বৰ্ষত সংসদৰ দ্বাৰা নিম্ন লিখিত ৰূপে ইয়াক অধিনিয়মিত কৰা হওক ঃ-

**পশুৰ সংক্ৰামক আৰু সাংসৰ্গিক ৰোগৰ নিবাৰণ আৰু নিয়ন্ত্ৰণ অধিনিয়ম, ২০০৯**

## অধ্যায় - ১

## প্ৰাৰম্ভিক

*সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ।*

১। (১) এই অধিনিয়মখন, পশুৰ সংক্ৰামক আৰু সাংসৰ্গিক ৰোগৰ নিবাৰণ আৰু নিয়ন্ত্ৰণ বিধেয়ক ২০০৯ নামেৰে অভিহিত হ'ব।

(২) ই, কেন্দ্ৰীয় চৰকাৰে, অধিসূচনাৰ দ্বাৰা নিয়ত কৰা দৰে এনে তাৰিখত বলৱৎ হ'ব আৰু বিভিন্ন ৰাজ্যৰ বাবে বা তাত থকা বিভিন্ন এলেকাৰ বাবে আৰু এই অধিনিয়মৰ বিভিন্ন উপবন্ধাৱলীৰ বাবে বিভিন্ন তাৰিখ নিয়ত কৰিব পাৰে আৰু এই অধিনিয়মৰ প্ৰাৰম্ভত এই অধিনিয়মৰ এনে কোনো উপবন্ধত থকা কোনো প্ৰসঙ্গ নিৰ্দেশক, সেই উপবন্ধ, ৰাজ্য বা এলেকাত এই অধিনিয়মৰ বা যথাস্থিতি সেই উপবন্ধৰ বলৱৎকৰণত কোনো ৰাজ্য বা এলেকা বা উপবন্ধৰ সম্পৰ্কত, এটা প্ৰসঙ্গ নিৰ্দেশৰূপে অৰ্থ হ'ব।

*পৰিভাষা*

২। এই অধিনিয়মত, প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে,—

(ক) "পশু" মানে, ......

(I) গৰু, ম'হ, ভেৰা, ছাগলী, য়াক, মিথুন ;

(II) কুকুৰ, মেকুৰী, গাহৰি, ঘোঁৰা, উট, গাধ, খচ্চৰ, হাঁহ-কুকুৰা, মৌ-মাখি ; আৰু

(III) কেন্দ্ৰীয় চৰকাৰে অধিসূচনাৰ দ্বাৰা বিনিৰ্দিষ্ট কৰা এনে আন পশু বা পক্ষী।

(খ) "পৰীক্ষণ চকী" মানে এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে পশুৰ পৰীক্ষণ সম্পন্ন কৰিবলৈ সঞ্চালকৰ দ্বাৰা এনেদৰে স্থাপিত কৰা কোনো স্থান;

(গ) "সক্ষম পদাধিকাৰী" মানে ধাৰা ১৭ৰ অধীনত এজন সক্ষম পদাধিকাৰীৰূপে অধিসূচীত হোৱা চৰকাৰৰ কোনো ব্যক্তি বা পদাধিকাৰী;

(ঘ) "বাধ্যতামূলক টীকাকৰণ" মানে কোনো অনুসূচীত ৰোগৰ বাবে দিয়া কোনো পশুৰ টীকাকৰণ যাৰ সম্বন্ধত টীকাকৰণ, এই অধিনিয়মৰ উপবন্ধাৱলীৰ অধীনত, বাধ্যতামূলক কৰা হয়;

(ঙ) "নিয়ন্ত্ৰিত এলেকা" মানে ধাৰা ৬ৰ উপধাৰা (১১)ৰ অধীনত ৰাজ্য চৰকাৰৰ দ্বাৰা এনেদৰে ঘোষণা কৰা কোনো স্থানীয় এলেকা;

(চ) "দোষমুক্ত টীকা" মানে কোনো টীকা যাৰ ম্যাদ শেষ হৈছে, মোহৰ নোহোৱা হৈছে, সংদূষণ হৈছে, অনুচিত ভাৱে সংৰক্ষণ কৰা হৈছে, বিনা লেবেলত আছে বা বিকৃত লেবেলত আছে;

(ছ) এখন ৰাজ্যৰ সম্পৰ্কত "সঞ্চালক" মানে এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে, ৰাজ্য চৰকাৰৰ দ্বাৰা এনেদৰে অধিসূচীত কৰা পশু পালন বা পশু চিকিৎসা সেৱা বিভাগৰ ভাৰপ্ৰাপ্ত কোনো পদাধিকাৰী;

(জ) "মুক্ত এলেকা" মানে ধাৰা ৬ৰ উপ-ধাৰা (৫)ৰ অধীনত এনেদৰে ঘোষণা কৰা কোনো নিয়ন্ত্ৰিত এলেকা;

(ঋ) "সংক্ৰমিত পশু" মানে কোনো অনুসূচীত ৰোগৰ দ্বাৰা সংক্ৰমিত কোনো পশু;

(এঃ) "সংক্ৰমিত এলেকা" মানে ধাৰা ২০ৰ অধীনত এনেদৰে ঘোষণা কৰা কোনো এলেকা;

(ট) "অধিসূচনা" মানে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত অধিসূচনা ;

(ঠ) "বিহিত" মানে এই অধিনিয়মৰ অধীনত প্ৰণয়ন কৰা নিয়মাৱলীৰ দ্বাৰা বিহিত ;

(ড) "প্ৰচাৰণে" প্ৰচাৰ মাধ্যম বা বাতৰি কাকত বা কোনো আন জনসম্পৰ্ক মাধ্যমক আৰু স্থানীয় যোগাযোগৰ মাধ্যম যেনে উচ্চ বাচ্যত ঘোষণা আৰু সেই অঞ্চলত ঢোল বজোৱাক, অন্তৰ্ভূক্ত কৰে;

(ঢ) "নিৰোধ শিবিৰ" মানে এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে পশু আৰু পক্ষীৰ ৰোগ হেতুকে নিৰোধ সম্পন্ন কৰাৰ বাবে ঘোষণা কৰা কোনো স্থান ;

(ণ) "অনুসূচীত ৰোগ" মানে এই অনুসূচীত অন্তৰ্ভুক্ত হোৱা কোনো ৰোগ ;

(ত) "পশু চিকিৎসক'" মানে, তৎসময় বলৱৎ কোনো বিধিৰ অধীনত স্বীকৃতিপ্ৰাপ্ত পশু চিকিৎসকৰ অৰ্হতা থকা কোনো ব্যক্তি যিজনক পশুৰ ৰোগৰ চিকিৎসা কৰিবলৈ অনুমতি দিয়া হয়;

(থ) "পশু চিকিৎসা পদাধিকাৰী" মানে ধাৰা ৩ৰ খণ্ড (খ)ৰ অধীনত ৰাজ্য চৰকাৰৰ দ্বাৰা এনেদৰে নিয়োজিত কোনো পদাধিকাৰী ;

(দ) এখন গাঁও সম্পৰ্কে "গ্ৰাম্য পদাধিকাৰী" মানে ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা অৰ্হতাৰ অনুসৰণত এনেদৰে প্ৰাধিকৃত বা নামোদিষ্ট কোনো ব্যক্তি।

## অধ্যায় - ২

## অনুসূচীত ৰোগৰ নিয়ন্ত্ৰণ

*পশু চিকিৎসা পদাধিকাৰীৰ নিযুক্তি।*

৩। ৰাজ্য চৰকাৰে, অধিসূচনাৰ দ্বাৰা,

(ক) পৰিদৰ্শন আৰু তেওঁলোকৰ স্বঅধিকাৰিতাৰ স্থানীয় সীমাৰ পৰিদৰ্শন আৰু বিনিৰ্দিষ্ট কৰিবলৈ, ই উচিত গণ্য কৰি, পশু চিকিৎসক হ'বলৈ এনে সংখ্যক ব্যক্তিক, নিযুক্তি দিব পাৰে ; আৰু

(খ) ই উচিত গণ্য কৰা দৰে এনে সংখ্যক পশু চিকিৎসকক পশু চিকিৎসা পদাধিকাৰী ৰূপে নিযুক্তি দিব পাৰে যিয়ে, উক্ত অধিসূচনাত বিনিৰ্দিষ্ট কৰা দৰে তেওঁলোকৰ অধিকাৰিতাৰ স্থানীয় সীমাৰ ভিতৰত তেওঁলোকৰ ক্ষমতাত কাৰ্য্যকৰী কৰিব আৰু তেওঁলোকৰ কৰ্ত্তব্যৰ নিৰ্বহন কৰিব।

*অনুসূচীত ৰোগৰ জাননী দিয়াটো বাধ্যতামূলক।*

৪। (১) কোনো পশুৰ দায়িত্ব থকা প্ৰত্যেক মালিক, বা কোনো আন ব্যক্তি, বে-চৰকাৰী সংগঠন, লোকনিকায় বা গাঁও পঞ্চায়ত, য'ত তেওঁ বা ইয়াৰ, এটা অনুসূচীত ৰোগৰ সংক্ৰমন বুলি বিশ্বাস কৰাৰ কাৰণ থাকে, ভাৰপ্ৰাপ্ত গ্ৰাম্য পদাধিকাৰী বা গাঁও পঞ্চায়তলৈ তথ্যৰ জাননী দিব, যিয়ে, সেইবোৰক লিখিত ভাৱে, নিকটতম সহজলভ্য পশু চিকিৎসকক জাননী দিব।

(২) গ্ৰাম্য পদাধিকাৰীয়ে, বিয়পি পৰা কোনো ৰোগৰ জাননী দিয়াৰ বাবে তেওঁৰ অধিকাৰিতাৰ ভিতৰত পৰা এলেকা পৰিদৰ্শন কৰিব।

(৩) প্ৰত্যেক পশু চিকিৎসকে, উপ-ধাৰা (১)ৰ অধীনত বা অন্যথায় পোৱা এখন প্ৰতিবেদনৰ প্ৰাপ্তিত, কোনো পশু এটা অনুসূচীত ৰোগৰ দ্বাৰা সংক্ৰমিত হোৱা বুলি যদিহে তেওঁ বিশ্বাস কৰাৰ কাৰণ থাকে, পশু চিকিৎসা পদাধিকাৰীক বিষয়টোৰ জাননী দিব।

(৪) য'ত কোনো ৰাজ্যত, কোনো পশুৰ সম্পৰ্কত অনুসূচীত ৰোগৰ সংক্ৰমন হয়, সঞ্চালকে, এনে ৰোগৰ বিয়পাৰ বিৰুদ্ধে সমূচিত প্ৰতিযোধমূলক ব্যৱস্থা লোৱাৰ বাবে এনে সংঘটনৰ স্থানৰ ঠিক প্ৰতিবেশী ৰাজ্য সমূহৰ সঞ্চালকসমূহলৈ এটা জাননী প্ৰেৰণ কৰিব।

*সংক্ৰমিত পশুক পৃথক কৰাৰ কৰ্ত্তব্য।*

৫। (১) কোনো পশুৰ দায়িত্বত থকা প্ৰত্যেক মালিক বা ব্যক্তি, এটা অনুসূচীত ৰোগৰ সংক্ৰমনে এনে পশুক পৃথক কৰিব বুলি বিশ্বাস কৰাৰ কাৰণ থাকে আৰু ইয়াক, আন সকলো পশুৰ পৰা আতৰাই এটা স্থানত ৰাখিব যিবোৰ স্বাস্থ্যবান হয় আৰু কোনো আন পশুৰ সৈতে হোৱা সংযোগৰ পৰা সংক্ৰমিত পশুক প্ৰতিষেধ কৰিবলৈ সকলো আৱশ্যকীয় ব্যৱস্থা ল'ব।

(২) উপ-ধাৰা (১)ত নিৰ্দেশিত পশুৰ দায়িত্বত থকা বা নিয়ন্ত্ৰণত ৰখা মালিক বা আন ব্যক্তিয়ে সেই পশুক বান্ধি ৰাখিব আৰু ৰাজহুৱা চৰণীয়া পথাৰত চৰিবলৈ বা পাত্ৰ, পুখুৰী, হ্ৰদ বা নদীক অন্তৰ্ভুক্ত কৰি কোনো ৰাজহুৱা উৎসৰ খোৱা পানীৰ পৰা ইয়াক বাধা দিব।

(৩) আন সকলো সংক্ৰমিত পশুক, নগৰ পালিকা, পঞ্চায়ত বা আন স্থানীয় প্ৰশাসনৰ দ্বাৰা, পৃথক কৰা হ'ব।

*নিয়ন্ত্ৰিত এলেকা আৰু মুক্ত এলেকাৰ অধিসূচনা।*

৬। (১) ৰাজ্য চৰকাৰে, কোনো অনুসূচিত ৰোগৰ নিবাৰণ নিয়ন্ত্ৰণ বা নিৰ্মূল কৰাৰ উদ্দেশ্যে, অধিসূচনাৰ দ্বাৰা, পশুৰ কোনো প্ৰজাতি বা কোনো আন প্ৰজাতিক প্ৰভাৱিত কৰা কোনো অনুসূচিত ৰোগৰ সম্বন্ধত এটা নিয়ন্ত্ৰিত এলেকা বুলি কোনো এলেকা ঘোষণা কৰিব পাৰে যি উক্ত অধিসূচনাত বিনিৰ্দিষ্ট কৰা ৰোগৰ সংবেদনশীল হব পাৰে।

(২) ৰাজ্য চৰকাৰে, উপ-ধাৰা (১)ৰ অধীনত জাৰি কৰা অধিসূচনাৰ সাৰাংশ, আঞ্চলিক ভাষাত এখন স্থানীয় বাতৰি কাকতত প্ৰকাশ কৰিব আৰু উচ্চ বাচ্যৰ ঘোষণাৰ দ্বাৰা আৰু সেই অঞ্চলত ঢোল কোবাইও প্ৰকাশ কৰিব।

(৩) যেতিয়া উপ-ধাৰা (১)ৰ অধীনত এখন অধিসূচনা জাৰি কৰা হয়, নিয়ন্ত্ৰিত এলেকাত থকা প্ৰজাতিবোৰৰ সকলো পশুক ৰাজ্য চৰকাৰে, লোক জাননীৰ দ্বাৰা, নিৰ্দেশিত কৰা দৰে এনে ৰীতিত আৰু এনে সময়ৰ ভিতৰত, সেই ৰোগৰ বাধ্যতামূলক টীকাকৰণলৈ সাপেক্ষ হব আৰু ৰোগৰ এনে আন ব্যৱস্থা সমূহলৈও সাপেক্ষ হব।

(৪) ৰাজ্য চৰকাৰে, আৱশ্যকীয় টীকা সহজলভ্য কৰিব আৰু পশুক বাধ্যতামূলক টীকা দিবলৈ, উপ-ধাৰা (৩)ৰ অধীনত টীকাকৰণলৈ অপেক্ষিত হোৱা পশুৰ দায়িত্ব থকা প্ৰত্যেক মালিক বা ব্যক্তিৰ পক্ষে, ই বাধ্যতামূলক হব।

(৫) কোনো নিয়ন্ত্ৰিত অঞ্চলত, পশুবোৰৰ কোনো প্ৰজাতিক প্ৰভাৱিত কৰা কোনো অনুসূচীত

ৰোগৰ ব্যাপকতা নাই বুলি সঞ্চালকৰ পৰা বা অন্যথায় প্ৰাপ্ত এটা প্ৰতিবেদনৰ ওপৰত যেতিয়া ৰাজ্য চৰকাৰ সন্তুষ্ট হয়, ই অধিসূচনাৰ দ্বাৰা, পশুৰ বিশেষ প্ৰজাতিৰ সম্পৰ্কত সেই ৰোগৰ সম্বন্ধত অঞ্চলটোক, এটা মুক্ত অঞ্চল বুলি ঘোষণা কৰিব পাৰে।

(৬) যেতিয়া উপ-ধাৰা (৫)ৰ অধীনত এখন অধিসূচনা জাৰি কৰা হয়, প্ৰজাতিসমূহৰ বা কোনো আন ৰোগাক্ৰমন প্ৰতিৰোধ শক্তিৰ প্ৰজাতিৰ কোনো পশুক, যাৰ সম্বন্ধত ই, এটা মুক্ত অঞ্চল হয়, মুক্ত অঞ্চলত প্ৰবেশৰ অনুমতি দিয়া নহব, যি পৰ্য্যন্ত সেই বিশেষ ৰোগৰ টীকাকৰণৰ দ্বাৰা সম্যকৰূপে অনাক্ৰম্য কৰা নহয়।

*নিয়ন্ত্ৰিত এলেকাত পশুৰ চলাচলত নিষেধকৰণ।*

৭। (১) যেতিয়া ধাৰা ৬ৰ উপ-ধাৰা (১)ৰ অধীনত, পশুৰ কোনো প্ৰজাতিক প্ৰভাৱিত কৰা কোনো ৰোগৰ সম্পৰ্কত এটা নিয়ন্ত্ৰিত এলেকাৰূপে কোনো এলেকা ঘোষণা কৰে, সেই প্ৰজাতিৰ অন্তৰ্গত কোনো পশুক ইয়াক ৰখা স্থানৰ পৰা চলাচল কৰিব নিদিব।

(২) সঞ্চালকে, চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত আদেশৰ দ্বাৰা, কোনো এলেকাৰ সম্বন্ধত, কোনো অনুসূচীত ৰোগৰ নিয়ন্ত্ৰণ, নিবাৰণ বা নিৰ্মূলকৰণৰ প্ৰয়োজনাৰ্থে, তাত বিনিৰ্দিষ্ট কৰা কোনো প্ৰজাতিৰ অন্তৰ্ভুক্ত হোৱা সকলো পশুক, সেইবোৰক ৰখা স্থানৰ পৰা কোনো আন স্থানলৈ চলাচল কৰাক নিষেধ কৰিব পাৰে ;

(৩) উপ-ধাৰা (১) আৰু (২)ত থকা কোনো কথাই, নিম্নলিখিত সমূহক নিষেধ কৰা বুলি গণ্য নকৰিব—

(ক) তাত নিৰ্দেশিত কৰা কোনো পশুক ৰখা স্থানৰ পৰা ইয়াৰ টীকাকৰণ কৰা নিকটতম স্থানলৈ কৰা চলাচল, যিমানদূৰ টীকাকৰণৰ দ্বাৰা ইয়াৰ অনাক্ৰম্যতাৰ প্ৰয়োজনাৰ্থে পশুৰ চলাচল কৰা হয় ; বা

(খ) এনে কোনো পশুৰ চলাচল, পশুক বিশেষ ৰোগৰ সম্যকৰূপে অনাক্ৰম্যতা বুলি নিৰ্দেশিত কৰিবলৈ যতদূৰ টীকাকৰণৰ এখন বৈধ প্ৰমাণ পত্ৰ দিয়া হয় আৰু ই এনে টীকাকৰণৰ সমূচিত চিহ্ন বহন কৰে।

*টীকাকৰণ চিহ্নিত কৰণ আৰু টীকাকৰণ প্ৰমাণ পত্ৰৰ জাৰি।*

৮। (১) কোনো পশুক দিয়া টীকা ইয়াক প্ৰয়োগ কৰিবলৈ, তৎসময় বলৱৎ থকা কোনো বিধিৰ অধীনত সক্ষম হোৱা কোনো প্ৰাধিকাৰীৰ দ্বাৰা প্ৰয়োগ কৰিব পাৰে আৰু টীকাকৰণৰ প্ৰয়োগৰ এখন প্ৰমাণ পত্ৰ জাৰি কৰিব পাৰে।

(২) য'ত কোনো পশুক, উপ-ধাৰা (১)ৰ উপবন্ধাৱলীৰ অনুপালনত কোনো অনুসূচিত ৰোগৰ বাবে, টীকা দিয়া হয়, পশুক টীকা দিয়া ব্যক্তিয়ে, সঞ্চালকে সাধাৰণ বা বিশেষ আদেশৰ দ্বাৰা নিৰ্দেশিত কৰা দৰে, মাৰ্কা মাৰি, টেটু কৰি বা টেপ ওলোমাই দি বা এনে আন ৰীতিত এটা চিহ্ন কাৰিত কৰিব আৰু এইবোৰ সঞ্চালকৰ দ্বাৰা অন্যথা বিনিৰ্দিষ্ট কৰাৰ ব্যতিৰেকে, আতৰাই নেপেলাব।

(৩) টীকাকৰণৰ এখন প্ৰমাণ পত্ৰ জাৰি কৰা প্ৰাধিকাৰীয়ে টীকাকৰণৰ তাৰিখ টীকাৰ প্ৰস্তুতকৰণ আৰু অৱসান ম্যাদৰ তাৰিখ আৰু যি তাৰিখলৈ, বিশেষ টীকা দিয়া পশুৰ টীকাকৰণৰ তাৰিখ বৈধ হব, তাক বিনিৰ্দিষ্ট কৰিব।

*টীকাকৰণ প্ৰমাণ পত্ৰৰ বিষয়বস্তু।*

৯। এই অধিনিয়মৰ অধীনত জাৰি কৰা প্ৰত্যেক টীকাকৰণ প্ৰমাণ পত্ৰ, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে প্ৰ-পত্ৰত দিব আৰু এনে সবিশেষ সমূহ থাকিব।

*নিয়ন্ত্ৰিত এলেকা আৰু মুক্ত এলেকাত প্ৰবেশ আৰু প্ৰস্থান।*

১০। (১) পশুৰ কোনো প্ৰজাতিক প্ৰভাৱিত কৰা কোনো ৰোগৰ সম্বন্ধত ধাৰা ৬ৰ উপ-ধাৰা (১)ৰ অধীনত যেতিয়া এটা এলেকাক এটা নিয়ন্ত্ৰিত এলেকা ৰূপে ঘোষিত কৰা হয়, সেই প্ৰজাতিৰ অন্তৰ্গত কোনো পশুক, ধাৰা ১৬ত উপবন্ধিত ব্যতিৰেকে, সেই এলেকালৈ নিব বা আনিব নোৱাৰিব।

(২) সঞ্চালকে, চৰকাৰী ৰাজপত্ৰত সম্যকৰূপে প্ৰকাশিত জাননী দি অতিকমেও আৰু এখন স্থানীয় ভাষাৰ দৈনিক স্থানীয় বাতৰি কাকতৰ দ্বাৰা, পশুৰ কোনো আন প্ৰজাতিলৈ উপ-ধাৰা (১)ত সন্নিবিষ্ট নিষেধ বিস্তৃত কৰিব, যদিহে সেই প্ৰজাতিৰ অন্তৰ্ভুক্ত পশু, সেই ৰোগত সংক্ৰমিত হোৱাৰো সম্ভাৱনা থাকে।

(৩) সামগ্ৰী বা পশুৰ কোনো বাহকে, ধাৰা ১৬ ৰ উপবন্ধাৱলী অনুপালন নকৰা পৰ্য্যন্ত, স্থল, জল বা বায়ুৰে এটা নিয়ন্ত্ৰিত এলেকা, মুক্ত এলেকা বা সংক্ৰমিত এলেকাৰ পৰা বা ভিতৰৰ পৰা কোনো পশুক বহন নকৰিব।

(৪) উপ-ধাৰা (১)ৰ পৰা (৩)ত থকা কোনো কথাই, কোনো এলেকাৰ মাধ্যমেৰে, সেই উপ-ধাৰা ধাৰাসমূহত নিৰ্দেশিত কোনো পশুক ৰেল যোগে বহন কৰালৈ প্ৰযোজ্য নহব, যি অঞ্চলক তৎসময়ৰ বাবে, নিয়ন্ত্ৰিত এলেকা বা সংক্ৰমিত এলেকা ৰূপে ঘোষণা কৰা হয় যতদূৰ পশুক (যি প্ৰয়োজন বা কালাৱধিৰ বাবে নহওক কিয়) সেই এলেকাৰ ভিতৰত কোনো স্থানত নমাই দিয়া নহয় ঃ

পৰন্তু ৰাজ্য চৰকাৰে,অধিসূচনাৰ দ্বাৰা, ৰাজ্যৰ ভিতৰত কোনো স্থানীয় এলেকাৰ মাজেদি এনেদৰে কঢ়িওৱা পশুৰ কোনো প্ৰজাতি, সেই অধিসূচনাত বিনিৰ্দিষ্ট কৰা দৰে এনে ৰীতিত আৰু এনে সময়ৰ ভিতৰত এনে অনুসূচিত ৰোগৰ বিৰুদ্ধে সম্যক ৰূপে অনাক্ৰম্য কৰা হব বুলি ঘোষণা কৰিব পাৰে আৰু টীকাকৰণৰ এখন প্ৰমাণ পত্ৰ, সেই অঞ্চলৰ মাজেৰে ৰেলযোগে পশুৰ যাতায়তৰ বাবে এটা, পূৰ্বে অপেক্ষনীয় হবঃ

অধিকন্তু য'ত প্ৰথম পৰন্তুকত নিৰ্দেশিত দৰে কোনো অধিসূচনা জাৰি কৰা হয়, সংশ্লিষ্ট ৰেল কৰ্ত্তৃপক্ষলৈ সেই তথ্যৰ জাননী দিয়াটো ৰাজ্য চৰকাৰৰ পদধাৰী হব যাতে ৰাজ্যৰ স্থানীয় এলেকাৰ মাজেৰে ইয়াৰ যাতায়তৰ পূৰ্বে পশুৰ অনাক্ৰম্যতাৰ বিষয়ে তেওঁলোকক সন্তুষ্ট কৰিবলৈ সমৰ্থবান হয়।

*নিয়ন্ত্ৰিত এলেকাৰ সম্পৰ্কে সতৰ্কতা মূলক ব্যৱস্থা।*

১১। কোনো ব্যক্তিয়ে, নিয়ন্ত্ৰিত এলেকাৰ পৰা নিম্নলিখিত সমূহক উলিয়াই নিনিব-

(ক) কোনো জীৱিত বা মৃত পশু যিবোৰ ধাৰা ৬ ৰ উপ-ধাৰা (১)ৰ অধীনত অধিসূচীত কৰা কোনো অনুসূচিত ৰোগৰ দ্বাৰা সংক্ৰমিত হৈছে বা সংক্ৰমিত হৈছে বুলি যুক্তি সঙ্গত ভাৱে সন্দেহ কৰা হৈছে;

(খ) এনে ৰোগৰ দ্বাৰা সংক্ৰমিত কোনো পশুৰ সংস্পৰ্শত থকা বা কোনো ৰীতিত, অধিসূচিত ৰোগৰ সংক্ৰমন কঢ়িওৱা কোনো ধৰণৰ পশু খাদ্য, বিচনা-পত্ৰ বা আন সামগ্ৰী ; বা

(গ) এনে পশুৰ মৃতদেহ, চৰ্ম বা কোনো আন ভাগ বা উৎপাদন।

*নিয়ন্ত্ৰিত এলেকাত বজাৰ, মেলা, প্ৰদৰ্শনী, ইত্যাদিৰ নিষেধ।*

১২। কোনো ব্যক্তি সংগঠন বা সংস্থাই কোনো পশু বজাৰ, পশু মেলা, পশু প্ৰদৰ্শনী নাপাতিব আৰু কোনো আন কাৰ্যকলাপ নকৰিব যিবোৰে এটা নিয়ন্ত্ৰিত এলেকাৰ ভিতৰত পশুৰ কোনো প্ৰজাতিৰ সমাবেশ বা দলবদ্ধতাক জড়িত কৰে ঃ

পৰন্তু সক্ষম পদাধিকাৰীয়ে স্ব-বিবেচনাত বা এই মৰ্মে তেওঁলৈ দিয়া এখন আবেদনৰ ওপৰত, অনুসূচীত ৰোগলৈ সংবেদনশীল নোহোৱা সেই প্ৰজাতিৰ অন্তৰ্গত পশু আৰু ইয়াক বহন কৰিবলৈ অসমৰ্থ হোৱা পশুৰ ক্ষেত্ৰত, পশুৰ কোনো প্ৰজাতিৰ সম্পৰ্কত থকা নিষেধ শিথিল কৰিব পাৰে, যদিহে ৰাজহুৱা স্বাৰ্থত, এনে শিথিলকৰণ কৰাটো আৱশ্যকীয় বুলি যদিহে তেওঁ সন্তুষ্ট হয়।

*সংক্ৰমিত পশুক, বজাৰ বা আন স্থানলৈ অনাত নিষেধ।*

১৩। কোনো ব্যক্তিয়ে, এটা অনুসূচীত ৰোগৰ দ্বাৰা সংক্ৰমিত হোৱা বুলি জ্ঞাত কোনো পশুক, বজাৰ, মেলা, প্ৰদৰ্শনী বা পশুৰ আন সমাবেশ বা কোনো ৰাজহুৱা স্থানলৈ নানিব বা আনিবলৈ প্ৰয়াস নকৰিব।

*পৰীক্ষণ চকী আৰু নিৰোধ শিবিৰ।*

১৪। (১) সঞ্চালকে, ৰাজ্যৰ ভিতৰত অপেক্ষিত কৰা দৰে ইমান সংখ্যক নিৰোধ শিবিৰ নিম্নলিখিত সমূহৰ বাবে স্থাপন কৰিব পাৰে-

(ক) কোনো অনুসূচিত ৰোগৰ দ্বাৰা আক্ৰান্ত পশু বা এনে কোনো সংক্ৰমিত পশুৰ সংস্পৰ্শত বা সন্নিকট ৰখা কোনো পশুৰ নিৰোধৰ বাবে ;

(খ) পশুৰ প্ৰজাতিৰ অন্তৰ্গত কোনো পশুক নিয়ন্ত্ৰিত এলেকা বা সংক্ৰমিত এলেকা বা মুক্ত এলেকাত প্ৰবেশ বা প্ৰস্থানক নিবাৰণ সুনিশ্চিত কৰাৰ বাবে, যাৰ সম্বন্ধত ধাৰা ৬ৰ উপ-ধাৰা (১)ৰ অধীনত জাৰি কৰা অধিসূচনা বা ধাৰা ৭ৰ উপ-ধাৰা (২)ৰ অধীনত জাৰি কৰা আদেশ বলৱৎ থাকে।

(২) নিৰোধ, পৰিদৰ্শিত টীকাকৰণ বা চিহ্নিত কৰিবলৈ অপেক্ষিত হোৱা কোনো পশুক, সক্ষম পদাধিকাৰীয়ে নিৰ্দেশ দিয়া দৰে এনে অৱধিৰ বাবে নিৰোধ শিবিৰত ৰাখিব পাৰে।

(৩) এটা নিৰোধ শিবিৰত আবদ্ধ ৰখা প্ৰত্যেক পশুক, শিবিৰৰ ভাৰপ্ৰাপ্ত ব্যক্তিৰ অভিৰক্ষাৰ অধীনত ৰখা হব আৰু সেইবোৰৰ টীকাকৰণ আৰু চিহ্নিত কৰা হব।

(৪) নিৰোধ শিবিৰৰ ভাৰপ্ৰাপ্ত পদাধিকাৰীয়ে, সেই কেন্দ্ৰৰ পৰা এটা পশুক এৰি দিয়াৰ সময়ত, পশুৰ ভাৰ গ্ৰহণ কৰাজনলৈ, ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা এনে প্ৰ-পত্ৰত, এখন অনুজ্ঞাপত্ৰ মঞ্জুৰ কৰিব আৰু এনে প্ৰত্যেক ব্যক্তি, অনুজ্ঞাপত্ৰ উপস্থাপিত কৰিবলৈ বাধ্য হব যেতিয়া কোনো সক্ষম পদাধিকাৰীৰ দ্বাৰা এনেদৰে কৰিবলৈ অপেক্ষিত কৰা হয়।

*পৰীক্ষণ চকী আৰু নিৰোধ শিবিৰত পশুৰ পৰিদৰ্শন আৰু নিৰোধকৰণ।*

১৫। (১) পৰীক্ষণ চকী বা নিৰোধ শিবিৰৰ ভাৰপ্ৰাপ্ত প্ৰত্যেক ব্যক্তিয়ে, পৰীক্ষণ চকীত ৰখা বা তাত বা নিৰোধ শিবিৰত আবদ্ধ কৰা কোনো পশুক পৰিদৰ্শন কৰিব।

(২) পৰিদৰ্শনৰ প্ৰয়োজনৰ বাবে বা বাধ্যতামূলক টীকাকৰণৰ প্ৰয়োগৰ বাবে, পৰীক্ষণ চকী বা নিৰোধ শিবিৰত পশুৰ পৰিদৰ্শনৰ ৰীতি আৰু নিৰোধৰ অৱধি, পশুৰ বক্তাৰ আৰু কোনো পশুৰ সম্বন্ধত প্ৰবিষ্টিৰ বাবে জাৰি কৰা অনুজ্ঞা পত্ৰৰ প্ৰ-পত্ৰ আৰু ৰীতি, ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে হব।

*নিয়ন্ত্ৰিত আৰু মুক্ত এলেকালৈ টীকাকৰণ কৰা পশুৰ প্ৰবেশ আৰু প্ৰস্থান।*

১৬। ধাৰা ১০ ত কোনো কথা থকা স্বত্তেও, পশুৰ প্ৰজাতিৰ অন্তৰ্গত কোনো পশুক, যাৰ সম্বন্ধত কোনো এলেকা কোনো অনুসূচীত ৰোগৰ সম্পৰ্কে এটা নিয়ন্ত্ৰিত এলেকা বা মুক্ত এলেকা ৰূপে ঘোষণা কৰা হৈছে, যাক সেই ৰোগৰ বিৰুদ্ধে সম্যক ৰূপে টীকাকৰণ কৰা হৈছে, কোনো নিয়ন্ত্ৰিত এলেকা বা মুক্ত এলেকাত প্ৰবেশ কৰিবলৈ বা তাৰ পৰা বাহিৰ উলিয়াই আনিবলৈ বা এখন প্ৰমাণ পত্ৰ উপস্থাপনত কোনো আন স্থানৰ পৰা উলিয়াই নিবলৈ এনে প্ৰভাৰলৈ অনুমতি দিব যে, সেই ৰোগৰ বিৰুদ্ধে টীকা প্ৰয়োগ কৰা হৈছে আৰু একৈশ দিনৰ অনধিক নোহোৱা এটা অৱধি ইয়াৰ পিছত, অতিবাহিত হৈছে।

*সক্ষম প্ৰাধিকাৰীৰ নিযুক্তি।*

১৭। ৰাজ্য চৰকাৰে, এই অধিনিয়মৰ উপবন্ধাৱলীৰ উচিত প্ৰয়োগৰ বাবে, অধিসূচনাৰ দ্বাৰা, এই অধিনিয়মৰ অধীনত এজন সক্ষম পদাধিকাৰী ৰূপে কোনো ক্ষমতা কাৰ্য্যকৰী কৰিবলৈ বা কোনো কৰ্ত্তব্যৰ নিৰ্বহন কৰিবলৈ প্ৰাধিকৃত কৰা কোনো ব্যক্তিয়ে, এই অধিসূচনাত বিনিৰ্দিষ্ট কৰা দৰে তেওঁ অধিকাৰিতাৰ স্থানীয় পৰিসীমাৰ ভিতৰত এনে ক্ষমতা আৰু এনে কৰ্ত্তব্য কাৰ্য্যকৰী কৰিব।

*বাহনৰ পৰিস্কাৰ কৰণ আৰু বীজাণু নাশন।*

১৮। (১) জলগামী যান বা যান-বাহন যিয়েই নহওক, প্ৰত্যেক সাধাৰণ বাহন, সেই জলগামী যান বা যান-বাহনত কোনো পশুৰ পৰিবহনৰ অব্যৱহিত পূৰ্বে বা পিচত আৰু সংক্ৰমণত ৰখা পশুৰ কোনো আন স্থানত পৰিস্কাৰকৰণ আৰু বীজাণুনাশন কৰা হব।

(২) যেতিয়া কোনো এলেকাক, পশুৰ কোনো প্ৰজাতিক প্ৰভাৱিত কৰা কোনো অনুসূচিত ৰোগৰ সম্বন্ধত এটা নিয়ন্ত্ৰিত এলেকা বা মুক্ত এলেকা ৰূপে ঘোষিত কৰা হয়, সঞ্চালকে, চৰকাৰী ৰাজপত্ৰত সম্যকৰূপে প্ৰকাশিত এটা আদেশৰ দ্বাৰা আৰু স্থানীয় ভাষাৰ এখন স্থানীয় বাতৰি কাকতত প্ৰকাশিত কৰি, সেই প্ৰজাতিৰ অন্তৰ্গত কোনো পশু কঢ়িওৱা প্ৰত্যেক যান-বাহনৰ মালিকক, যান-বাহনবোৰ সমূচিত ভাবে পৰিস্কাৰ আৰু বীজাণুনাশন কৰিবলৈ আদেশ দিব পাৰে।

*প্ৰবেশ আৰু পৰিদৰ্শনৰ ক্ষমতা।*

১৯। কোনো পশু চিকিৎসা পদাধিকাৰী বা আন সক্ষম পদাধিকাৰীয়ে এই অধিনিয়মৰ উপবন্ধাৱলী বা তাৰ অধীনত প্ৰণীত নিয়মাৱলী বা আদেশৰ অনুপালন সুনিশ্চিত কৰাৰ প্ৰয়োজনাৰ্থে, এনে অনুপালনৰ বাবে দায়িত্ববান হোৱা ব্যক্তি সমূহৰ দ্বাৰা, ভূমি বা ভৱন বা স্থান, জলগামী যান বা যান-বাহনত প্ৰবেশ আৰু পৰিদৰ্শন কৰিব পাৰে।

## অধ্যায় - ৩

## সংক্ৰমিত এলেকা

*সংক্ৰমিত এলেকাৰ ঘোষণা।*

২০। এজন পশু চিকিৎসকৰ পৰা বা অন্যথাই এটা প্ৰতিবেদনৰ প্ৰাপ্তিত, পশু চিকিৎসা পদাধিকাৰীয়ে যদিহে, তেওঁৰ অধিকাৰিতাৰ ভিতৰত পৰা কোনো স্থান বা প্ৰাঙ্গনত কোনো পশু, কোনো অনুসূচীত ৰোগৰ দ্বাৰা সংক্ৰমিত হৈছে বুলি বা য'ত এনেদৰে সংক্ৰমিত হোৱা কোনো পশু ৰখা বুলি তেওঁৰ বিশ্বাস কৰাৰ কাৰণ আছে বুলি, সন্তুষ্ট হয়, তেওঁ অধিসূচনাৰ দ্বাৰা আৰু আঞ্চলিক ভাষাত অতি কমেও এখন স্থানীয় বাতৰি কাকতত প্ৰকাশ কৰি আৰু উচ্চ বাচ্যৰে ঘোষণা কৰি আৰু ঢোল কোবাই, তেওঁ উচিত গণ্য কৰা দৰে, এনে অঞ্চলক, এটা সংক্ৰমিত এলেকাৰূপে (উপৰোক্ত স্থান বা প্ৰাঙ্গনক অন্তৰ্ভুক্ত কৰি) ঘোষণা কৰিব পাৰে।

*সংক্ৰমিত এলেকাৰ ঘোষণাৰ প্ৰভাৱ।*

২১। (১) যেতিয়া এটা এলেকাক, ধাৰা ২০ ৰ অধীনত এটা সংক্ৰমিত এলেকাৰূপে ঘোষণা কৰা হয়, এটা নিয়ন্ত্ৰিত এলেকাৰ সম্পৰ্কত প্ৰযোজ্য হোৱা এই অধিনিয়মৰ সকলো উপবন্ধাৱলীয়ে যথাৱশ্যক পৰিবৰ্ত্তনসহ তালৈ প্ৰয়োগ হব যেনিবা "নিয়ন্ত্ৰিত এলেকা" শব্দ সমূহৰ স্থানত সংক্ৰমিত এলেকা শব্দসমূহক প্ৰতিষ্ঠাপিত কৰা হৈছিল।

(২) উপ-ধাৰা (১)ত থকা উপবন্ধাৱলীৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ নিম্নলিখিত অতিৰিক্ত উপবন্ধাৱলী, এটা সংক্ৰমিত এলেকাৰ সম্পৰ্কত প্ৰয়োগ হব, অৰ্থাৎ ঃ-

(ক) সেই অঞ্চলত থকা প্ৰত্যেক পশুৰ সম্বন্ধত যিবোৰ, কোনো অনুসূচীত ৰোগৰ দ্বাৰা সংক্ৰমিত হয় বা সংক্ৰমিত হব বুলি যুক্তিসঙ্গত ভাবে বিশ্বাস কৰে, পশুৰ ভাৰপ্ৰাপ্ত মালিকৰ বা আন ব্যক্তিয়ে, এজন পশু চিকিৎসকৰ দ্বাৰা ই শীঘ্ৰে চিকিৎসা কৰাব;

(খ) খণ্ড (ক)ত নিৰ্দেশিত কোনো পশুৰ সংস্পৰ্শলৈ অহাৰ সম্ভাৱনা থকা সকলো বস্তুক, পশু চিকিৎসকে নিৰ্দেশ দিয়াৰ দৰে এনে ৰীতিত ব্যৱহাৰ কৰিব বা নিষ্পত্তি কৰিব ;

(গ) প্ৰত্যেক পশু চিকিৎসকৰ, পৰিদৰ্শনৰ প্ৰয়োজনাৰ্থে, পশুক ৰখা বা ৰখাৰ সম্ভাৱনা থকা কোনো স্থান বা প্ৰাঙ্গনত প্ৰায়ে প্ৰৱেশ কৰাৰ ক্ষমতা থাকিব;

(ঘ) খণ্ড (ক)ত নিৰ্দেশিত পশুৰ ভাৰপ্ৰাপ্ত মালিক বা কোনো আন ব্যক্তিয়ে পশুটোক শীঘ্ৰে আলগ কৰি ৰাখিব আৰু পশু চিকিৎসকে নিৰ্দেশ দিয়াৰ দৰে ৰোগৰ নিবাৰণ চিকিৎসা আৰু নিয়ন্ত্ৰণৰ বাবে আৱশ্যক হোৱা এনে আন ব্যৱস্থা সমূহো লব।

*সংক্ৰমিত এলেকাৰ অধিসূচনা।*

২২। যদিহে পশু চিকিৎসা পদাধিকাৰীয়ে, তেওঁ উচিত গণ্য কৰা দৰে এনে অনুসন্ধানৰ পিচত, কোনো সংক্ৰমিত অঞ্চলত অনুসূচীত ৰোগৰ দ্বাৰা কোনো পশু সংক্ৰমিত হোৱাৰ ভয় বা বিপদ নাই বুলি, সন্তুষ্ট হয়, তেন্তে অধিসূচনাৰ দ্বাৰা আৰু আঞ্চলিক ভাষাত এখন স্থানীয় বাতৰি কাকতত প্ৰকাশিত কৰি, উপৰোক্ত দৰে এনে অঞ্চল এটা সংক্ৰমিত অঞ্চল নহয় বুলি ঘোষণা কৰে, যাৰ ওপৰত ধাৰা ২১ত নিৰ্দেশিত সকলো নিৰ্বন্ধন, প্ৰযোজ্য নহব।

## অধ্যায় - ৪

## সংক্ৰমিত পশু

*সংক্ৰমিত পশুৰ পৃথককৰণ, পৰীক্ষণ আৰু চিকিৎসা কৰা।*

২৩। (১) য'ত পশু চিকিৎসকৰ, এখন প্ৰতিবেদনৰ প্ৰাপ্তিত বা অন্যথায়, কোনো পশু, এটা অনুসূচীত ৰোগৰ দ্বাৰা সংক্ৰমিত হোৱা বুলি বিশ্বাস কৰাৰ কাৰণ থাকে, তেওঁ, লিখিতভাৱে এটা আদেশৰ দ্বাৰা এনে পশুৰ ভাৰপ্ৰাপ্ত মালিক বা কোনো আন ব্যক্তিক, নিম্নলিখিতসমূহ কৰিবলৈ নিৰ্দেশ দিব পাৰে—

(ক) আপাত আন স্বাস্থ্যবান পশুৰ পৰা ইয়াক পৃথক কৰি ৰখা ; বা

(খ) পৰিস্থিতিৰ অধীনত অপেক্ষা কৰা দৰে এনে চিকিৎসালৈ ইয়াক সাপেক্ষ কৰা।

(২) যেতিয়া উপ-ধাৰা (১)ৰ অনুসৰণত কোনো ব্যৱস্থা লোৱা হয়, পশু চিকিৎসকে, শীঘ্ৰে, পশু চিকিৎসা পদাধিকাৰীলৈ ৰোগৰ ঘটনাৰ এটা বিস্তৃত প্ৰতিবেদন দিব।

(৩) পশু চিকিৎসকৰ পৰা এটা প্ৰতিবেদনৰ প্ৰাপ্তিত, পশু চিকিৎসা পদাধিকাৰীয়ে, যথা সম্ভৱ শীঘ্ৰে, ইয়াৰ সংস্পৰ্শলৈ আহিব পৰা সেই পশু আৰু কোনো আন পশুক পৰীক্ষা কৰিব, আৰু সেই প্ৰয়োজনৰ বাবে, পৰিস্থিতি সমূহৰ অধীনত অপেক্ষিত কৰা দৰে এনে পৰীক্ষা আৰু চিকিৎসা পৰীক্ষণ কৰিবলৈ পশুক আগবঢ়াই দিব।

(৪) এনে পৰীক্ষা আৰু নিৰীক্ষণৰ পিচত, কোনো পশু, অনুসূচীত ৰোগ সমূহৰ কোনোটোৰ দ্বাৰা সংক্ৰমিত নহয় বুলি যদিহে পশু চিকিৎসকজনে এটা অভিমত দিয়ে, তেওঁ পশুটো এনে কোনো ৰোগৰ দ্বাৰা সংক্ৰমিত নহয় বুলি লিখিত ভাবে এখন প্ৰমাণ পত্ৰ জাৰি কৰিব।

*পশুৰ নমুনা অনা*

২৪। (১) য'ত, পশু চিকিৎসা পদাধিকাৰীয়ে, কোনো পশু কোনো অনুসূচীত ৰোগৰ দ্বাৰা সংক্ৰমিত হোৱা বুলি সন্দেহ কৰাক বা এনে সংক্ৰমনলৈ সংবেদনশীল হোৱাত প্ৰকৃততে সংক্ৰমিক হৈছে নে নাই তাক সুনিশ্চিত কৰাৰ প্ৰয়োজনাৰ্থে বা কোনো পশুক সংক্ৰমিত কৰাৰ অনুসূচীত ৰোগৰ প্ৰকৃতিক সুনিশ্চিত কৰাৰ প্ৰয়োজনাৰ্থে, ই আৱশ্যকীয় বুলি বিবেচনা কৰে, তেওঁ, পৰিস্থিতি সমূহৰ অধীনত তেওঁ আৱশ্যকীয় বুলি গণ্য কৰা দৰে, এনে তদন্ত সম্পন্ন কৰাৰ প্ৰয়োজনাৰ্থে পশুৰ পৰা অপেক্ষিত কৰা দৰে এনে নমুনা আনিব।

(২) পশু চিকিৎসা পদাধিকাৰী বা কোনো আন সক্ষম পদাধিকাৰীয়ে, কোনো পশুক কোনো ৰোগৰ টীকাকৰণ কৰা হৈছে নে নাই বা পশুৰ টীকাকৰণে, ইয়াৰ অনাক্ৰম্য প্ৰদানত প্ৰভাৱী হৈছেনে নাই আৰু তেওঁ আৱশ্যকীয় গণ্য কৰা দৰে এনে ৰীতিত নমুনাবোৰক পৰীক্ষা কৰা হৈছে নে নাই তাক সুনিশ্চিত কৰাৰ প্ৰয়োজনাৰ্থে কোনো পশুৰ নমুনা আনিব।

*সংক্ৰমিত পশুৰ বাবে মৃত্যুদান দিয়া।*

২৫। যদিহে পশু চিকিৎসা পদাধিকাৰীয়ে, এটা অনুসূচীত ৰোগৰ দ্বাৰা সংক্ৰমিত কোনো পশুক, কোনো এলেকাত থকা আন পশুলৈ ৰোগ বিয়পোৱাক নিবাৰণ কৰাৰ বাবে বা যদিহে ৰোগ জেনোটিক গুৰুতৰ হয়, জনস্বাস্থ্য সুৰক্ষিত কৰিবলৈ, মৃত্যুদান কৰে, তেওঁ, তৎসময়বলৱৎ থকা কোনো আন বিধিত কোনো কথা থকা স্বত্বেও, লিখিতভাৱে এটা আদেশৰ দ্বাৰা, তেওঁ সন্তুষ্টিলৈ তৎক্ষণাত পশুৰ মৃত্যুদান কৰিবলৈ আৰু মৃতদেহৰ ব্যৱস্থাৰ নিৰ্দেশ দিব পাৰে।

*মৃতদেহৰ ব্যৱস্থা কৰা*

২৬। পশুৰ মৃত্যুৰ সময়ত, কোনো অনুসূচীত ৰোগৰ দ্বাৰা সংক্ৰমিত হোৱা বা সংক্ৰমিত হোৱা বুলি সন্দেহ কৰা কোনো পশুৰ মৃতদেহ বা (তাৰ কোনো অংশৰ) দখলত কৰা প্ৰত্যেক ব্যক্তিয়ে, বিহিত কৰা দৰে এনে ৰীতিত ইয়াৰ ব্যৱস্থা কৰিব।

*পশু চিকিৎসা পদাধিকাৰী আৰু পশু চিকিৎসকৰ মৰণোত্তৰ পৰীক্ষা কৰাৰ ক্ষমতা।*

২৭। (১) য'ত পশুৰ চিকিৎসা পদাধিকাৰী বা পশু চিকিৎসকৰ বিশ্বাস কৰাৰ কাৰণ থাকে যে, কোনো অনুসূচীত ৰোগৰ সংক্ৰমনৰ দ্বাৰা কোনো পশুৰ মৃত্যু হৈছে, তেওঁ, পশুৰ এটা মৰণোত্তৰ পৰীক্ষা কৰে বা কৰিবলৈ বাৰিত কৰে আৰু তাৰ প্ৰয়োজনাৰ্থে তেওঁ, এনে কোনো পশুৰ মৃতদেহ খান্দি উলিয়াব পাৰে য'ত আৱশ্যকীয় পৰীক্ষা আৰু মৰণোত্তৰ পৰীক্ষাৰ পিচত সমূচিত ব্যৱস্থাৰ কৰাৰ দ্বাৰা অনুসৰণ কৰিবলৈ অপেক্ষিত হয়।

(২) উপ-ধাৰা (১)ত নিৰ্দেশিত প্ৰত্যেক পৰীক্ষা আৰু মৰণোত্তৰ পৰীক্ষা বিহিত কৰা এনে ৰীতিত পৰিচালনা কৰা হব আৰু মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন এনে প্ৰ-পত্ৰত দিব।

*কেতবোৰ পশুৰ অভিগ্ৰহণ আৰু দূৰীকৰণ।*

২৮। কোনো পশুৰ মালিক বুলি দাবী কৰা কোনো ব্যক্তিৰ অবিহনে সংক্ৰমিত হোৱা বা সংক্ৰমিত হোৱা বুলি সন্দেহ কৰা কোনো পশুক যেতিয়া পোৱা হয়, বা যেতিয়া, এনে কোনো পশুৰ সম্পৰ্কত দিয়া বৈধ আদেশ বা নিৰ্দেশনা পশুৰ নিয়ন্ত্ৰণত থকা, মালিক বা আন ব্যক্তিৰ দ্বাৰা শীঘ্ৰতাৰে অনুপালন কৰা নহয়, পশু চিকিৎসা পদাধিকাৰী বা কোনো আন সক্ষম পদাধিকাৰীয়ে, তেওঁ উচিত গণ্য কৰা দৰে পশুৰ অভিগ্ৰহণ আৰু এটা আলগ বা পৃথক স্থানলৈ ইয়াক আতৰা কৰিব পাৰিব।

## অধ্যায় - ৫

## বলৱৎকৰণ আৰু দণ্ড

*আদেশৰ বলৱৎকৰণ আৰু খৰচৰ পুনৰুদ্ধাৰ।*

২৯। (১) এই অধিনিয়মৰ অধিনত প্ৰণীত কোনো নিয়ম, অধিসূচনা, জাননী, অভিযাচন, আদেশ বা নিৰ্দেশনাৰ দ্বাৰা য'ত কোনো ব্যক্তি নিম্নলিখিত সমূহৰ সম্বন্ধত কোনো ব্যৱস্থা লবলৈ বা কোনো কাৰ্য্য কৰিবলৈ অপেক্ষিত হয়—

(ক) তেওঁৰ অভিৰক্ষা বা দায়িত্ব থকা কোনো পশু, কোনো পশুৰ মৃতদেহ বা আন বস্তু সম্বন্ধত, সেইবোৰৰ সেই ব্যক্তিৰ দ্বাৰা শীঘ্ৰতাৰে অনুপালন কৰা হব ;

(খ) কোনো উদঙীয়া বা মালিক বিহীন পশু, এনে পশুৰ মৃতদেহ বা ইয়াৰ কোনো অংশৰ ক্ষেত্ৰত, সেই একেবোৰক, ইয়াৰ খৰচত বা যথাস্থিতি পঞ্চায়তৰ দ্বাৰা শীঘ্ৰতাৰে অনুপালন কৰা হব।

(২) যদিহে, উপ-ধাৰা (১)ত নিৰ্দেশিত কৰা ব্যৱস্থা সমূহক, ইয়াৰ প্ৰয়োজনৰ বাবে অনুমতি দিয়াৰ দৰে এনে সময়ৰ ভিতৰত, লোৱা নহয়, প্ৰাধিকাৰীয়ে, জাননী, অভিযাচন, আদেশ বা নিৰ্দেশনা জাৰি কৰি, ব্যক্তি বা নগৰ পালিকা বা যথাস্থিতি , পঞ্চায়তৰ খৰচত লবলগীয়া ব্যৱস্থা সমূহ কাৰিত কৰিব পাৰে যিয়ে বা যিটো, ব্যৱস্থা সমূহ লবলৈ অপেক্ষিত হৈছিল।

(৩) উপ-ধাৰা (২)ৰ অধীনত লোৱা কোনো ব্যৱস্থাৰ খৰচ এখন ন্যায়ালয়ৰ দ্বাৰা আৰোপিত জৰিমনাৰ পুনৰ আদায়ৰ বাবে দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ দ্বাৰা উপবন্ধিত ৰীতিত সংশ্লিষ্ট কোনো ব্যক্তি বা নগৰ পালিকা বা যথাস্থিতি পঞ্চায়তৰ পৰা পুনৰ আদায়যোগ্য হব, যেনিবা এনে খৰচ, এখন ন্যায়ালয়ৰ দ্বাৰা আৰোপিত এটা খৰচহে আছিল।

*গ্ৰাম পদাধিকাৰী, ইত্যাদিয়ে সহায়তা কৰিব।*

৩০। ৰাজ্য চৰকাৰৰ, সকলো নগৰ পালিকা, পঞ্চায়ত বা গ্ৰাম পদাধিকাৰী আৰু গ্ৰামোন্নয়ন আৰু দুগ্ধ শালা বিভাগ ৰাজহ, কৃষি পশু পালন আৰু পশু চিকিৎসা বিভাগৰ সকলো পদাধিকাৰী—

(ক) সেই অঞ্চলত কোনো পশু বা পশুৰ প্ৰজাতিৰ মাজত থকা এটা অনুসূচীত ৰোগৰ ব্যাপকতাৰ সম্বন্ধত সেই অঞ্চলত অধিকাৰিতা থকা পশু চিকিৎসা পদাধিকাৰী বা পশু চিকিৎসকক শীঘ্ৰে সূচিত কৰিবলৈ বাধ্য হব ;

(খ) কোনো অনুসূচীত ৰোগৰ প্ৰাৰ্দুভাৱ বিয়পোৱাক নিবাৰণ কৰিবলৈ সকলো আৱশ্যকীয় ব্যৱস্থা লবলৈ বাধ্য হব ; আৰু

(গ) এই অধিনিয়মৰ অধীনত তেওঁলোকৰ কৰ্ত্তব্যৰ নিৰ্বহনত বা তেওঁলোকৰ ক্ষমতাৰ কাৰ্য্যকৰীকৰণত পশু চিকিৎসা পদাধিকাৰী আৰু পশু চিকিৎসকক সহায়তা কৰিবলৈ বাধ্য হব।

*প্ৰাধিকাৰ বিনা টীকাকৰণ প্ৰমাণ পত্ৰ জাৰি কৰাৰ বা ত্ৰুটিপূৰ্ণ টীকা প্ৰয়োগ কৰাৰ বাবে দণ্ড।*

৩১। যদিহে কোনো ব্যক্তিয়ে, —

(ক) সেই মৰ্মে প্ৰাধিকাৰ বা দক্ষতা বিনা, বা

(খ) যিকোনো প্ৰকাৰে ত্ৰুটিপূৰ্ণ বুলি জ্ঞাত টীকা প্ৰয়োগ কৰাৰ পিচত, এখন টীকাকৰণ প্ৰমাণ পত্ৰ জাৰি কৰে,-

তেওঁ, পাঁচ হেজাৰ টকাৰ এটা জৰিমনাৰে দণ্ডনীয় হোৱা এটা অপৰাধৰ বাবে বা জৰিমনা অনাদায়ৰ ক্ষেত্ৰত, এমাহলৈ বিস্তৃত হব পৰা এটা কাৰাবাসেৰে আৰু কোনো অনুৱৰ্ত্তী অপৰাধৰ ক্ষেত্ৰত, দহ হেজাৰ টকাৰ জৰিমনা সহ বা তিনি মাহলৈ বিস্তৃত হব পৰা এটা কাৰাবাসেৰ বাবে দোষী হব।

*দণ্ড*

৩২। এই অধিনিয়মৰ উপবন্ধাৱলী ভঙ্গ কৰা বা তেওঁৰ কৰ্ত্তব্যৰ সম্পাদনত সক্ষম পদাধিকাৰীক বাধা দিয়া কোনো ব্যক্তি এহেজাৰ টকালৈ বিস্তৃত হব পৰা এটা জৰিমানাৰে দণ্ডনীয় হোৱা এটা অপৰাধৰ বাবে দোষী হব আৰু অৰ্থদণ্ডৰ আদায়ৰ অসফলতাৰ ক্ষেত্ৰত, এমাহলৈ বিস্তৃত হব পৰা এটা অৱধিৰ বাবে এটা কাৰাবাসেৰে ; আৰু (ধাৰা ৩১, ৩৩ ৰ ক্ষেত্ৰত ব্যতিৰেকে এই অধিনিয়মৰ একে উপবন্ধ বা কোনো আন উপবন্ধৰ অধীনত হওঁক বা নহওঁক) কোনো অনুৱৰ্ত্তী অপৰাধৰ ক্ষেত্ৰত অৰ্থদণ্ডৰ অনাদায়ৰ ক্ষেত্ৰত, দুহেজাৰ টকাৰ এটা জৰিমনাৰে বা ছমাহলৈ বিস্তৃত হব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে দণ্ডনীয় হব।

*নদী, ইত্যাদিত সংক্ৰমিত পশু বা মৃতদেহ পেলোৱাৰ বাবে দণ্ড।*

৩৩। কোনো পশুৰ মৃতদেহ বা মৃতদেহৰ কোনো অংশ, ইয়াৰ মৃত্যুৰ সময়ত সংক্ৰমিত হোৱা বুলি জানিও, ইয়াক কোনো নদী, হ্ৰদ, খাল বা কোনো আন জলাধাৰত পেলায় বা পেলাবলৈ বাৰিত কৰা বা অনুমতি দিয়া ব্যক্তি, অপৰাধৰ বাবে দোষী হব আৰু অভিযোগৰ ওপৰত, প্ৰথম অপৰাধৰ ক্ষেত্ৰত জৰিমনা আদায়ৰ ক্ষেত্ৰত, দুহেজাৰ টকাৰ এটা জৰিমনাৰে বা এমাহৰ কাৰাবাসেৰে দণ্ডিত হব আৰু এটা অনুৱৰ্ত্তী অপৰাধৰ ক্ষেত্ৰত, পাঁচ হেজাৰ টকাৰ এটা জৰিমনাৰে বা তিনি মাহলৈ বিস্তৃত হব পৰা এটা অৱধিৰ বাবে বা উভয়েৰে দণ্ডিত হব।

*কোম্পানীৰ দ্বাৰা কৰা অপৰাধ।*

৩৪। (১) এই অধিনিয়মৰ অধীনত যেতিয়া এটা অপৰাধ, এটা কোম্পানীৰ দ্বাৰা সংঘটিত কৰা হয়, অপৰাধ সংঘটনৰ সময়ত, কোম্পানীৰ দৰে কোম্পানীৰ ব্যৱসায়ৰ পৰিচালনাৰ বাবে কোম্পানীৰ ভাৰপ্ৰাপ্ত বা দায়িত্বত থকা ব্যক্তিক, অপৰাধৰ বাবে দোষী বুলি গণ্য কৰা হব আৰু তদনুসাৰে কাৰ্য্যবাহী কৰিবলৈ আৰু শাস্তিৰ বাবে দায়ী হব ঃ

পৰন্তু এই উপ-ধাৰাত থকা কোনো কথাই, এই অধিনিয়মত উপবন্ধিত কোনো শাস্তিলৈ কোনো ব্যক্তিক দায়ী নকৰিব, যদিহে তেওঁ অপৰাধটো তেওঁৰ জ্ঞান বিনা সংঘটিত কৰিছে বুলি বা এনে অপৰাধৰ সংঘটন বাৰণ কৰিবলৈ সকলো সম্যক তৎপৰতা প্ৰয়োগ কৰিছে বুলি, প্ৰমাণ কৰে।

(২) উপ-ধাৰা (১)ত কোনো কথা থকা স্বত্তেও, এই অধিনিয়মৰ অধীনত যেতিয়া এটা অপৰাধ এটা কোম্পানীৰ দ্বাৰা সংঘটিত কৰা হয়, আৰু অপৰাধটো, কোম্পানীৰ কোনো সঞ্চালক, পৰিচালক, সচিব বা আন পদাধিকাৰীৰ সন্মতি বা মৌন সন্মতিত বা ইয়াৰ পক্ষত অৱহেলাৰ বাবে কৰা বুলি প্ৰমানিত হয়, তেন্তে এনে সঞ্চালক, পৰিচালক, সচিব বা আন পদাধিকাৰীকো সেই অপৰাধত দোষী বুলি গণ্য কৰা হব আৰু ইয়াৰ কাৰ্য্যবাহী কৰিবলৈ আৰু তদনুসাৰে শাস্তিৰ বাবে দায়ী হব।

স্পষ্টীকৰণ — এই ধাৰা প্ৰয়োজনাৰ্থে, —

(ক) "কোম্পানী" মানে কোনো নিগম নিকায় আৰু ই তৎসময় বলৱৎ থকা কোনো বিধিৰ অধীনত পঞ্জীভুক্ত বা পঞ্জীভুক্ত বুলি গণ্য হোৱা এটা সমবায় সমিতি, এখন ফাৰ্ম বা ব্যক্তিৰ আন সংগঠনক অন্তৰ্ভুক্ত কৰে, আৰু

(খ) এখন ফাৰ্মৰ সম্পৰ্কত "সঞ্চালক" মানে ফাৰ্মত থকা এজন ভাগীদাৰ।

## অধ্যায় - ৬

## নিমিত্ত স্বৰূপ অঙ্গ, ইত্যাদিৰ ওপৰত সতৰ্কতামূলক ব্যৱস্থা

*নিমিত্ত স্বৰূপ অঙ্গৰ পৰা নিস্কৃতি লোৱাত নিবাৰণ।*

৩৫। (১) টীকা, ৰক্তৰস, ৰোগ নিৰ্ণয়াত্মক বা কেমোথেৰাপিক ঔষধ সম্পৰ্কিত প্ৰস্তুতকৰণ, পৰীক্ষণ বা গৱেষণাত নিয়োজিত আৰু কোনো অনুসূচীত ৰোগৰ নিবাৰণ বা চিকিৎসাত লক্ষ্য ৰখাত নিম্নলিখিত সমূহৰ বাবে পৰ্য্যাপ্ত সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰা হব—

(ক) কোনো অনুসূচীত ৰোগৰ নিমিত্তস্বৰূপ অঙ্গই নিস্কৃতি নাপায় বা অন্যথা ৰেহাই নিদিবলৈ সুনিশ্চিত কৰা ;

(খ) কোনো এনে নিস্কৃতি বা ৰেহাইৰ বিৰুদ্ধে পহৰা দিয়া ;

(গ) কোনো নিস্কৃতিৰ সংঘটনত জড়িত থকা প্ৰত্যেকেই সাৱধান কৰা আৰু সুৰক্ষা দিয়া।

(২) তৎসময় বলৱৎ কোনো আন বিধিত কোনো কথা থকা স্বত্তেও,

(ক) উপ-ধাৰা (১)ত নিৰ্দেশিত প্ৰস্তুতকৰণ, পৰীক্ষণ বা গৱেষণাৰ বাবে ব্যৱহাৰ কৰা প্ৰত্যেক জীৱ, বা

(খ) কোনো অনুসূচীত ৰোগ বহন কৰা বা সংক্ৰমিত কৰাৰ সম্ভাৱনা থকা প্ৰত্যেক জীৱক, শীঘ্ৰতাৰে মৃত্যুদান কৰিব আৰু সেই উপ-ধাৰাত নিৰ্দেশিত সংস্থা, পৰীক্ষাগাৰ বা যথাস্থিতি ক্লিনিকৰ দায়িত্বত বা নিয়ন্ত্ৰণত থকা ব্যক্তিৰ দ্বাৰা নিষ্পত্তি কৰা হব।

(৩) উপ-ধাৰা (১)ত নিৰ্দেশিত সংস্থা, পৰীক্ষাগাৰ বা ক্লিনিকৰ দায়িত্ব বা নিয়ন্ত্ৰণত থকা প্ৰত্যেক ব্যক্তি উপ-ধাৰা (১) আৰু উপধাৰা (২)ৰ উপবন্ধাৱলী অনুপালন কৰাত, আৰু পালন নকৰাৰ ক্ষেত্ৰত, তেওঁ, এটা অপৰাধৰ বাবে, বিশ হাজাৰ টকালৈ বিস্তৃত হব পৰা এটা জৰিমনাৰে বা ছমাহলৈ বিস্তৃত হব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে বা উভয়েৰে, দোষী হব আৰু প্ৰতিষ্ঠানটো, টীকা বা ঔষধৰ বাণিজ্যিক প্ৰস্তুতকৰণ হোৱাৰ ক্ষেত্ৰত, এবছৰৰ এটা অৱধিলৈ অনুজ্ঞাপত্ৰৰ অস্থায়ী নিলম্বন আৰোপ কৰিব পাৰে।

## অধ্যায় - ৭

## বিবিধ

*আৰোপ কৰাৰ ক্ষমতা।*

৩৬। ৰাজ্য চৰকাৰে, অধিসূচনাৰ দ্বাৰা, ধাৰা ৪২ৰ উপ-ধাৰা (২)ৰ অধীনত নিয়মাৱলী প্ৰণয়নৰ ক্ষমতাৰ ব্যতিৰেকে, এই অধিনিয়মৰ দ্বাৰা বা অধীনত ইয়ালৈ প্ৰদত্ত ক্ষমতাসমূহৰ সকলো বা যিকোনোটোক, ইয়াৰ অধীনস্থ কোনো পদাধিকাৰী বা প্ৰাধিকাৰীলৈ, আৰোপ কৰিব পাৰে।

*চৰকাৰী নিয়ন্ত্ৰণ সাপেক্ষে পদাধিকাৰী আৰু প্ৰাধিকাৰীয়ে কাৰ্য্য কৰিব।*

৩৭। এই অধিয়িমৰ অধীনত সকলো পদাধিকাৰী আৰু প্ৰাধিকাৰীয়ে, কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰে সময়ে সময়ে প্ৰণয়ন কৰা দৰে, এই অধিনিয়মৰ উপবন্ধাৱলীৰ অসঙ্গত নোহোৱাকৈ, এনে আদেশৰ অনুসৰণত, এই অধিনিয়মৰ দ্বাৰা বা অধীনত তেওঁলোকলৈ প্ৰদত্ত বা অৰ্পিত তেওঁলোকৰ ক্ষমতাৰ কাৰ্য্যকৰীকৰণ আৰু তেওঁলোকৰ কৰ্ত্তব্যৰ নিৰ্বহন কৰিব।

*অনুসূচী সংশোধন কৰাৰ ক্ষমতা।*

৩৮। (১) কেন্দ্ৰীয় চৰকাৰে অধিসূচনাৰ দ্বাৰা কোনো পশু ৰোগ অনুসূচীত সংযোগ বা লোপ কৰিব পাৰে আৰু উক্ত ৰোগ, অধিসূচনাৰ তাৰিখৰ পৰা, অনুসূচীত সংযোগ বা অনুসূচীৰ পৰা লোপ কৰা বুলি গণ্য হব।

(২) উপ-ধাৰা (১)ৰ অধীনত জাৰি কৰা প্ৰত্যেক অধিসূচনা, ইয়াক জাৰি কৰাৰ পিচত যথাশীঘ্ৰে, সংসদৰ প্ৰত্যেক সদনত উত্থাপিত কৰা হব।

*নিৰ্দ্দেশনা জাৰি কৰাৰ ক্ষমতা।*

৩৯। কেন্দ্ৰীয় চৰকাৰে, পশুৰ কোনো সংক্ৰামক বা সাংসৰ্গিক ৰোগ নিবাৰণ, নিয়ন্ত্ৰণ আৰু নিৰ্মূল কৰাৰ উদ্দেশ্যে, ই উচিত গণ্য কৰা দৰে এনে প্ৰবিৱৰণ আৰু অনুসূচীত ৰোগৰ পৰিসংখ্যা প্ৰদান আৰু টীকাকৰণৰ বাবে দিয়া নিৰ্দ্দেশনাবোৰক অন্তৰ্ভুক্ত কৰি এই অধিনিয়মৰ অধীনত ৰাজ্য চৰকাৰ বা আন প্ৰাধিকাৰীলৈ সময়ে সময়ে, এনে নিৰ্দ্দেশনা জাৰি কৰিব পাৰে আৰু এনে প্ৰত্যেক নিৰ্দ্দেশনাৰ অনুপালন কৰিব।

*কেতবোৰ ব্যক্তি লোকসেৱক হব।*

৪০। এই অধিনিয়মৰ অধীনত কোনো ক্ষমতাৰ কাৰ্য্যকৰীকৰণ বা কোনো কৰ্ত্তব্যৰ সম্পাদনৰ সময়ত প্ৰত্যেক সক্ষম পদাধিকাৰী, নিৰ্দেশক আৰু পশু চিকিৎসা পদাধিকাৰীজনক, ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ২১ৰ অৰ্থৰ ভিতৰত এজন লোকসেৱক বুলি গণ্য কৰা হব।

*জটিলতা দূৰীকৰণৰ ক্ষমতা।*

৪১। (১) এই অধিনিয়মৰ উপবন্ধাৱলীক প্ৰভাৱী কৰোতে যদিহে কোনো জটিলতাৰ উদ্ভৱ হয়, কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত আদেশৰ দ্বাৰা এই অধিনিয়মৰ উপবন্ধাৱলীৰ অসঙ্গত নোহোৱাকৈ, জটিলতা দূৰীকৰণৰ বাবে আৱশ্যকীয় বা সমিচীন বুলি ইয়াৰ প্ৰতীত হোৱাত, এনে উপবন্ধাৱলী প্ৰণয়ন কৰিব পাৰে ঃ

পৰন্তু এনে কোনো আদেশ, এই অধিনিয়মৰ প্ৰাৰম্ভনৰ তাৰিখৰ পৰা দুবছৰৰ এটা অৱধিৰ অৱসানৰ পিচত, প্ৰণয়ন নকৰিব।

(২) এই ধাৰাৰ অধীনত প্ৰণয়ন কৰা প্ৰত্যেক আদেশ, ইয়াক প্ৰণয়ন কৰাৰ পিচত যথাশীঘ্ৰে, সংসদৰ প্ৰত্যেক সদনত উত্থাপিত কৰা হব।

*কেন্দ্ৰীয় চৰকাৰৰ নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা।*

৪২। (১) কেন্দ্ৰীয় চৰকাৰে, পূৰ্ব প্ৰকাশনৰ চৰ্ত্তৰ সাপেক্ষে, অধিসূচনাৰ দ্বাৰা, এই অধিনিয়মৰ উপবন্ধাৱলী কাৰ্য্যকৰী কৰাৰ বাবে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকুল প্ৰভাৱ নেপেলোৱাকৈ, এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয় সমূহৰ সকলো বা যিকোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ-

(ক) ধাৰা ৯ৰ অধীনত টীকাকৰণ প্ৰমাণ পত্ৰৰ প্ৰ-পত্ৰ আৰু সবিশেষ সমূহ য'ত এনে প্ৰমাণ পত্ৰ থাকে ;

(খ) ধাৰা ২৬ৰ অধীনত মৃতদেহৰ সংকাৰৰ ৰীতি ;

(গ) ধাৰা ২৭ৰ উপ-ধাৰা (১)ৰ অধীনত পৰীক্ষণ আৰু মৰণোত্তৰ পৰীক্ষাৰ পৰিচালনাৰ ৰীতি আৰু উপ-ধাৰা (২)ৰ অধীনত মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনৰ প্ৰ-পত্ৰ ;

(ঘ) বিহিত কৰিব পৰা কোনো আন বিষয় বা যাৰ সম্বন্ধত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিয়মাৱলী প্ৰণীত হবলৈ অপেক্ষিত হয়।

*ৰাজ্য চৰকাৰৰ নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা।*

৪৩। (১) ৰাজ্য চৰকাৰে, অধিসূচনাৰ দ্বাৰা, আৰু কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব সংমোদন সহ, এই অধিনিয়মৰ প্ৰয়োজন কাৰ্য্যকৰী কৰাৰ বাবে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয় সমূহৰ সকলো বা যিকোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ-

(ক) ধাৰা ১৪ৰ উপ-ধাৰা (৪)ৰ অধীনত এটা নিৰোধ শিবিৰৰ দায়িত্বত থকা পদাধিকাৰীৰ দ্বাৰা মঞ্জুৰ কৰিবলগীয়া অনুজ্ঞাপত্ৰৰ প্ৰ-পত্ৰ ;

(খ) ধাৰা ১৫ৰ উপ-ধাৰা (২)ৰ অধীনত পৰিদৰ্শনৰ ৰীতি আৰু পশুক বাধ্যতামূলক টীকা দিয়া বা পশুক চিহ্নিত কৰাৰ বাবে এটা পৰীক্ষণ চকী বা এটা নিৰোধ শিবিৰত এটা পশুৰ আটককৰণৰ অৱধি আৰু প্ৰবেশৰ অনুজ্ঞাপত্ৰৰ জাৰি কৰাৰ প্ৰ-পত্ৰ আৰু ৰীতি ;

(গ) কোনো আন বিষয় যাৰ সম্বন্ধত, ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰণয়ন কৰা বা কৰিব পৰা নিয়ম।

*নিয়ম প্ৰণয়ন*

৪৪। (১) এই অধিনিয়মৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণীত প্ৰত্যেক নিয়ম, ইয়াক প্ৰণয়ন কৰাৰ পিচত যথাশীঘ্ৰে, সংসদৰ প্ৰত্যেক সদনত উত্থাপিত কৰা হব, যেতিয়া ই মুঠ ত্ৰিশ দিনৰ এটা কালৰ বাবে অধিৱেশন চলি থাকে, যিটো এখন অধিৱেশন বা দুখন বা ততোধিক ক্ৰমাগত অধিৱেশনৰে ভুক্ত হব পাৰে, আৰু যদি উপৰোক্ত পৰৱৰ্ত্তী অধিৱেশন বা ক্ৰমাগত অধিৱেশন ঠিক অধিৱেশনৰ অৱসানৰ আগতে উভয় সদনে নিয়মত কোনো সাল-সলনি কৰিবলৈ সন্মত হয় বা উভয় সদন সন্মত হয় যে নিয়ম প্ৰণয়ন কৰিব নালাগে তেন্তে তাৰ পিচত এনে নিয়ম এনে সাল-সলনি ৰূপত মাথোন প্ৰভাৱী বা যথাস্থিতি প্ৰভাৱহীন হব কিন্তু এনে সাল-সলনি বা ৰদ-কৰণে সেই নিয়মত পূৰ্বেকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকুল প্ৰভাৱ নেপেলাব।

(২) এই অধিনিয়মৰ অধীনত ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰণীত প্ৰত্যেক নিয়ম, ইয়াক প্ৰণয়ন কৰাৰ পিচত যথাশীঘ্ৰে ৰাজ্যিক বিধান মণ্ডলত উত্থাপিত কৰা হব।

*নিৰসন আৰু ব্যাবৃত্তি।*

৪৫। (১) এই অধিনিয়মৰ প্ৰাৰম্ভণত—

*১৮৯৯ৰ ১৩* (I) গ্লেণ্ডাৰচ্ আৰু ফাৰ্চী অধিনিয়ম, ১৮৯৯

*১৯১০ৰ ৫* (II) ডুৰিণ অধিনিয়ম, ১৯১০, আৰু

(III) কোনো ৰাজ্যৰ কোনো আন তদনুৰূপ বিধি, যতদূৰ ই, এই অধিনিয়মৰ উপবন্ধাৱলীৰ অসঙ্গত হয়, নিৰসিত হব ঃ

পৰন্তু এই ধাৰাত থকা কোনো কথাই, —

(ক) ইয়াৰ অধীনত সম্যকৰূপে কৰা বা ভোগা বিধিৰ এনে কোনো উপবন্ধ বা কোনো কাৰ্য্যৰ পূৰ্ব প্ৰৱৰ্ত্তনক প্ৰভাৱী নকৰিব ;

(খ) বিধিৰ এনে কোনো উপবন্ধৰ অধীনত অৰ্জিত, প্ৰাপ্ত, বা ভাৰিত কোনো অধিকাৰ, বিশেষাধিকাৰ, বাধ্যতা বা দায়িত্বক প্ৰভাৱী নকৰিব ;

(গ) বিধিৰ এনে কোনো উপবন্ধাৱলীৰ বিৰুদ্ধে সংঘটিত কোনো অপৰাধৰ সম্বন্ধত ভাৰিত হোৱা কোনো দণ্ড, বাজেয়াপ্ত বা শাস্তিক প্ৰভাৱী নকৰিব ; বা

(ঘ) উপৰোক্ত দৰে এনে কোনো অধিকাৰ, বিশেষাধিকাৰ, বাধ্যতা, দায়িত্ব, দণ্ড বাজেয়াপ্তকৰণ বা শাস্তিৰ সম্বন্ধত কোনো তদন্ত, বিধিক কাৰ্য্যবাহী বা প্ৰতিকাৰক প্ৰভাৱী নকৰিব, আৰু এনে প্ৰত্যেক তদন্ত, বিধিক কাৰ্য্যবাহী বা প্ৰতিকাৰ চলি থাকিব, সংস্থিত হ'ব বা প্ৰৱৰ্ত্তিত হ'ব পাৰে আৰু এনে কোনো দণ্ড, বাজেয়াপ্তকৰণ আৰু শাস্তি আৰোপিত কৰিব পাৰে যেনিবা বিধিৰ উপৰোক্ত উপবন্ধাৱলী, চলিয়েই আছিল ঃ

অধিকন্তু, জাৰি কৰা বা ঘোষণা কৰা কোনো অধিসূচনা, আদেশ, জাননী বা ৰচিদক অন্তৰ্ভুক্ত কৰি বিধিৰ এনে কোনো উপবন্ধৰ অধীনত কৰা কোনো কাৰ্য্য বা লোৱা কোনো কাৰ্য্য ব্যৱস্থাক, এই অধিনিয়মৰ উপবন্ধাৱলীৰ সৈতে যিমানদূৰ ই অসঙ্গত নহয়, এই অধিনিয়মৰ তদনুৰূপ উপবন্ধাৱলীৰ অধীনত কৰা, লোৱা, জাৰি কৰা বা প্ৰণয়ন কৰা বুলি গণ্য কৰা হ'ব, আৰু এই অধিনিয়মৰ অধীনত কৰা কোনো কাৰ্য্য বা লোৱা কোনো কাৰ্য্য ব্যৱস্থাৰ দ্বাৰা অধিক্ৰমণ নকৰা পৰ্য্যন্ত, তদনুসাৰে পূৰ্ব্বৰ্ত্তিত হৈ থাকিব।

## অনুসূচী

### ধাৰা ২ (ণ) আৰু ৩৮ চাওক।

(ক) একাধিক প্ৰজাতি ৰোগ

(১) এনথ্ৰেস্ক।

(২) আওজেচ্‌স্কিজ ৰোগ।

(৩) ব্লুটাঙ্গঁ।

(৪) ব্ৰুচলোচিচ্।

(৫) ব্ৰাইমিন কোঙ্গোঁ হেমাৰহেজিক জ্বৰ।

(৬) ইচ্চিনো কোকোচিচ্ হাইডাটি ডোচিচ্।

(৭) ভৰি আৰু মুখৰ ৰোগ।

(৮) হাৰ্ট ৱাটাৰ।

(৯) জাপানীজ এনকেফেলাইটিচ্।

(১০) লেপটোস্পাইৰেচিচ্।

(১১) নতুন পৃথিৱীৰ পৰজীৱি মাখি (কোহল টোমিয়া হেমিনি ভোৰাস্ক)।

(১২) পুৰণি পৃথিৱীৰ পৰজীৱি মাখি (ব্ৰাইচোম্যা ৰেজীয়ানা)।

(১৩) পাৰাটুৰেট কুলোচিচ্।

(১৪) কিউ জ্বৰ।

(১৫) ৰেবিজ।

(১৬) ৰিষ্ট ভেলী জ্বৰ।

(১৭) ৰাইন্ডাৰ পেষ্ট।

(১৮) ট্ৰাই কিনেলোচিচ্।

(১৯) তুলাৰেমিয়া।

(২০) ভেচিকুলাৰ ষ্টোমাটিটিচ।

(২১) পশ্চিম নীলা জ্বৰ।

(খ) পশু ৰোগ

(১) ৰোভাইন এনাপ্লাজমোচিছ।

(২) ৰোভাইন চেৰেচিঅ’চিছ্।

(৩) ৰোভাইন জেনিটেল কেম্পিলো বাকটেৰিঅ'চিচ্।

(৪) ৰোভাইন স্পঞ্জিৰ্ফৰ্ম এনচি ফালো-পাখি।

(৫) ৰোভাইন টিউবাৰ কোলোচিচ্।

(৬) ৰোভাইন ভাইৰেল ডায়েৰীয়া।

(৭) সাংসৰ্গিক ৰোভাইনঁ প্লিওৰোনিউমোনিয়া।

(৮) এনযুটিক ৰোভাইন লিইউকোচিচ্।

(৯) হেমোৰ হেজিক চেপ্তি কামিয়া।

(১০) সংক্ৰমিত ৰোভাইন ৰাইনোট্ৰেচিটিচ্ / সংক্ৰমিত পাষ্টুলাৰ ভালভো ডাগিনিটিচ্।

(১১) লাম্পিণ চৰ্মৰোগ।

(১২) মেলিখনেন্ট কেটেৰিকেল জ্বৰ।

(১৩) থাইলেৰিঅ'চিচ্।

(১৪) ট্ৰাইকোমোনোচিচ্।

(১৫) ট্ৰাইপেনোচোমোচিচ্।

(গ) **ভেৰা আৰু ছাগলীৰ ৰোগ**

(১) কেপৰাইন আৰথা ৰাইটিচ /এনকেফেলাইটিচ্।

(২) সাংসৰ্গিক আপালেকচিয়া।

(৩) সাংসৰ্গিক কেপৰাইন প্লোৰোনিউমোনিয়া।

(৪) এনযুটিক উইজৰ গৰ্ভপাত (ওভাইন ক্লেমাইডাইঅ'চিচ)

(৫) মেইডি ভিচনা।

(৬) নাইৰোবি ভেৰা ৰোগ।

(৭) ওভাইন এপিডিমিটিচ্ (ব্ৰুচেলিয়া অভিচ্)।

(৮) পেষ্ট ডেচ প্ৰেট্ৰিচ ৰুমিনান্টচ্

(৯) চেলমোনি লোচিচ্ (এচ এব'ৰ টোচোভিচ্)

(১০) স্ক্ৰেপি।

(১১) ভেৰাৰ বসন্ত আৰু ছাগলীৰ বসন্ত।

(ঘ) অশ্ব সংক্ৰান্ত ৰোগ

(১) আফ্ৰিকা ঘোঁৰাৰ অসুস্থতা।

(২) সাংসৰ্গিক অশ্ব সংক্ৰান্ত মেট্ৰিটিচ্।

(৩) ডুৰাইন।

(৪) অশ্ব সংক্ৰান্তীয় এনকেফেলাইটিচ্ (পূৰ্বদেশীয়)।

(৫) অশ্ব সংক্ৰান্তীয় এনকেফেলাইটিচ্ (পশ্চিমীয়া)।

(৬) অশ্ব সংক্ৰান্তীয় সংক্ৰামক এনিমিয়া।

(৭) অশ্ব সংক্ৰান্তীয় ইনফ্লুয়েঞ্জা।

(৮) অশ্ব সংক্ৰান্তীয় পাইৰোপ্লাজমোচিচ্।

(৯) অশ্ব সংক্ৰান্তীয় ৰাইনো নিইউমোনিটিচ্।

(১০) অশ্ব সংক্ৰান্তীয় ভাইৰেল আৰথাৰাইটিচ্।

(১১) গ্লোণ্ডাৰচ্।

(১২) চুৰৰা (ট্ৰাইপেনো চোমা ইভানচি)।

(১৩) ভেনিজুৰেলান অশ্বসংক্ৰান্তীয় এনচেফালোমাইলিটিচ্।

(ঙ) চোৰাইন ৰোগ

(১) আফ্ৰিকান চোৰাইন জ্বৰ।

(২) বৰ্গীকৰণ চোৰাইন জ্বৰ।

(৩) নিফা ভাইৰাছ্ এনকেফেলাইটিছ।

(৪) পোৰকাইন চিচটিচাৰকোচিচ্।

(৫) পোৰকাইন পুনৰ উৎপাদন আৰু শ্বাস প্ৰশ্বাস চিন।

(৬) চোৰাইন ভেচিকুলাৰ ৰোগ।

(৭) ট্ৰেন্সমিছিৱল গেষ্ট্ৰোএন্টাৰাইটিচ্।

(চ) পক্ষী সম্বন্ধীয় ৰোগ

(১) পক্ষী ক্লামাই ডাইঅ'চিচ্।

(২) পক্ষী সংক্ৰামিত ব্ৰঙ্কাইটিচ্।

(৩) পক্ষী সংক্ৰামিত লেৰিঙ্গোঁ ট্ৰেচিটিচ্।

(৪) পক্ষী মাইকোপ্লাজমোচিচ্ (এম গালিচেপটিকাম)।

(৫) পক্ষী মাইকোপ্লাজমোচিচ্ (এম চাইনোভাইন)

(৬) হাঁহ সংক্ৰামিত হেপাটাইটিচ্।

(৭) কুকুৰা চৰাইৰ কলেৰা।

(৮) কুকুৰা চৰাইৰ টাইফয়েদ।

(৯) হাঁহ কুকুৰা পালন উচ্চ পেথোজেনিক পক্ষী ইনফ্লুয়েঞ্জা আৰু নিম্ন পেথোজেনিক পক্ষী ইনফ্লুয়েঞ্জা।

(১০) সংক্ৰামিত ৰাৰ্ছেল ৰোগ (গামবোৰো ৰোগ)।

(১১) মাৰেক ৰোগ।

(১২) নিউএচেল ৰোগ।

(১৩) পোলোৰাম ৰোগ।

(১৪) তাৰ্কী ৰাইনো ট্ৰেচ্চিটিচ্।

**(ছ) লাগোম'ৰ্ফ ৰোগ**

(১) মাইক্ৰোমেটোচ্চি্।

(২) ৰেবিট হেমোৰহেজিক ৰোগ।

**(জ) মৌ-মাখি ৰোগ**

(১) মৌ-মাখিৰ এৰা পিচোচ্চি্।

(২) মৌ-মাখিৰ ইউৰোপিয়ান ফাউলব্ৰুড।

(৩) ক্ষুদ্ৰ মৌচাক যুদ্ধ অধ্যুষন (এথিনা নোমিডা)

(৪) মৌ-মাখিৰ ট্ৰোপিলিলেপচ্ অধ্যুষন।

(৫) মৌ-মাখিৰ ডাৰোচ্চি্।

**(ঝ) মীন ৰোগ**

(১) এপিযুটিক হিমাটোপোইটিক নিক্ৰোচিচ।

(২) সংক্ৰামিত হিমাটোপোইটিক নিক্ৰোচিচ।

(৩) কাৰ্পৰ স্প্ৰিং ভিৰোমিয়া।

(৪) ভাইৰেল হেমোৰহেগিক চেপ্তিকেমিয়া।

(৫) সংক্ৰামিত পেংক্ৰিয়েটিক নেক্ৰোচিচ।

(৬) সংক্ৰামিত চেলম'ন এনিমিয়া।

(৭) এপিযোটিক আলচাৰেটিভ লক্ষণ।

(৮) বেক্টেৰিয়েল কিড্‌নি ৰোগ (ৰেনিবেক্টেৰিয়াম চেলোমোনিনেৰাম)

(৯) গাইৰোডে ক্টিলোচ্চি (গাইৰোডে ক্টিলাচ চালাৰিছ)

(১০) ৰঙা সাগৰ ব্ৰিম ইৰিডোভাইৰেল্‌ ৰোগ।

**(ঞ) শামুক ৰোগ**

(১) বোনমিয়া অষ্ট্ৰিৰ সংক্ৰমন।

(২) বোনমিয়া একজিটিঅ'চাৰ সংক্ৰামন।

(৩) মাৰটিলিয়া বিফ্ৰিনজেনচৰ সংক্ৰামন।

(৪) মাক্ৰ'ইট'চ মাইকিমৰ সংক্ৰামন।

(৫) পাৰকিনচাচ্‌ মেৰিনাচ্‌ৰ সংক্ৰামন।

(৬) পাৰকিনচাচ্‌ ওলচেনিৰ সংক্ৰামন।

(৭) জেনোহোলিঅ'টিচ্‌ কাৰ্লিফোৰ্ণিয়ানচিচ্‌।

**(ট) কঠিন বৰ্ম্মীৰ ৰোগ**

(১) তুৰা লক্ষণ

(২) বগা চিন বৰাগ।

(৩) হালধীয়া পৰা ৰোগ।

(৪) টেট্ৰাহিড্ৰেল বাকিউলোভাইৰোচিচ্‌ (বাকিউলোভাইৰাচ পিনাই)।

(৫) স্কেৰিকেল বাইকিউলেভাইৰোচিচ্‌ (পিনাইআচ্‌ মোনোডোন টাইপ বাইকিউলো ভাইৰাচ)।

(৬) সংক্ৰামিত হাইপ'ডাৰমেল আৰু হেমাটো পোয়েটিক নিক্ৰোচিচ্‌।

(৭) ক্ৰোফছ প্লেগ (আফানোমিয়েছ এছটাচি)

**(ঠ) আন ৰোগ**

(১) কেমপ্ল'স্ক।

(২) লিছমানিঅ'চিচ্‌।

**The Prevention and Control of Infectious and Contagious Diseases in Animals, Act, 2009**
**(No. 27 of 2009)**

**পশুৰ সংক্ৰামক আৰু সাংসৰ্গিক ৰোগৰ নিবাৰণ আৰু নিয়ন্ত্ৰণ অধিনিয়ম, ২০০৯**
(২০০৯ৰ সংখ্যা ২৭)

## Glossary of Terms
## পৰিভাষা

| Section. | English Term | Assamese Equivalent |
|---|---|---|
| Preamble | Eradication | নিৰ্মূল। |
| " | Outbreak | প্ৰাদুৰ্ভাৱ। |
| 2. (b) | Check Post | পৰীক্ষণ চকী। |
| 2. (f) | Contaminated | সংদূষণ। |
| 2. (f) | Mutilated Label | বিকৃত লেবেল। |
| 2. (m) | Mass Media | জনসম্পৰ্ক মাধ্যম। |
| 2. (n) | Quarantine Camp | নিৰোধ শিবিৰ। |
| 2. (p) | Veterinarian | পশু চিকিৎসক। |
| 5. (I) | Segregate | পৃথক কৰা। |
| 6. (1) | Susceptible | সংবেদনশীল। |
| 6. (6) | Immunized | অনাক্ৰম্য। |
| 11. (b) | Fodder | পশু খাদ্য |
| 11. (c) | Carcass | মৃতদেহ। |
| 13. | Congregation | সমাবেশ। |
| 18. (1) | Disinfection | বীজাণুনাশন। |
| 21 (1) | Mutatis Mutandis | যথাৱশ্যক পৰিবৰ্তন সহ। |
| 27. | Exhumed | খান্দি উলিওৱা। |
| 35. (1) (a) | Causative Organism | নিমিত্ত স্বৰূপ অঙ্গঁ। |
| 35 (2) (b) | Euthanasia | মৃত্যুদান। |

ৰাষ্ট্ৰপতিয়ে পশুৰ সংক্ৰামক আৰু সাংসৰ্গিক ৰোগৰ নিবাৰণ আৰু নিয়ন্ত্ৰণ অধিনিয়ম, ২০০৯ (২০০৯ৰ অধিনিয়ম সংখ্যা ২৭) ৰ ওপৰোক্ত অসমীয়া অনুবাদ, প্ৰাধিকৃত পাঠ, (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাজপত্ৰত প্ৰকাশিত কৰাৰ কাৰণে প্ৰাধিকৃত কৰি দিছে (১৯৭৩ৰ অধিনিয়ম সংখ্যা ৫০)।

সচিব, ভাৰত চৰকাৰ

নতুন দিল্লী
তাৰিখঃ

The above translation in Assamese of The Prevention and Control of Infectious and Contagious Diseases in Animals Act, 2009 (Act No. 27 of 2009) has been authorised by the President to be published in the Official Gazette under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 (Act No. 50 of 1973).

**G. NARAYANA RAJU,**
Secretary to the Govt. of India

New Delhi
Date :

*ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১, ০৫-১১-১৯*